Content includes AI-generated material

www.newsnextone.com
# e সংবাদ

THURSDAY, JANUARY 23, 2025 ■ বৃহস্পতিবাৰ, ৯ মাঘ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ২৭ Guwahati, Assam ।। মূল্যঃ এটকা

Sacn to Donate
NEWSNEXTONE.COM

## মণিপুৰত এনডিএৰ সংগ এৰিলে নীতিশে

ইম্ফল, ২২ জানুৱাৰীঃ চুবুৰীয়া ৰাজ্য মণিপুৰত অব্যাহত থকা দীৰ্ঘদিনীয়া অশান্তি আৰু হিংসাত্মক ৪ পৃষ্ঠাত চাওক

## শিল্পী ৰাজীৱ শদিয়াৰে বীৰ পাণ্ডৱাও বঁটা

ই-সংবাদ, শিৱসাগৰ, ২২ জানুৱাৰীঃ প্ৰয়াত গণশিল্পী ৰাজীৱ শদিয়াৰে অষ্টম সংখ্যক শেষাংশ ২ পৃষ্ঠাত

## এডভাণ্টেজ আছাম অসাৰ! দাবী আপৰ

ই-সংবাদ, ২২ জানুৱাৰীঃ অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ১৯ ৪ পৃষ্ঠাত চাওক



## মুখাশিল্পী ললিত মহন্তৰ দেহাৱসান


ই-সংবাদ, মাজুলী, ২২ জানুৱাৰীঃ সত্ৰনগৰী মাজুলীৰ ঐতিহাসিক এলেঙি নৰসিংহ সত্ৰৰ অধিকাৰ, ২ পৃষ্ঠাত



জাপানৰ ৰাজধানী টকিঅ'ত গান্ধীৰ প্ৰতিমূৰ্তিত সেৱা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ

### নতুন বাজেটৰ পূৰ্বে ৰিপুণ বৰাৰ দাবী

## বাজেটৰ ৫১ শতাংশ ধন আজিও খৰচ কৰিব নোৱাৰিলে চৰকাৰে!



ই-সংবাদ, ২২ জানুৱাৰীঃ ২০২৪-২৫ বিত্তীয় বৰ্ষ সমাপ্ত হ'বলৈ মাজত মাথোঁ দুটা মাহ। কিন্তু বাজেটত নিৰ্ধাৰণ কৰা ধন এতিয়ালৈকে ৩ পৃষ্ঠাত

### পৰৱৰ্তী শুনানিত অসমৰ মুখ্য সচিবক উপস্থিত থাকিবলৈ কঠোৰ নিৰ্দেশ

# ত্ৰুটিপূৰ্ণ শপতনামা! ৰাজ্য চৰকাৰক ভৰ্ৎসনা ছুপ্ৰিম কৰ্টৰ

■ গোৱালপাৰা জিলাৰ মাটিয়াৰ ডিটেনচন চেণ্টাৰক লৈ আদালতত মিছা মাতি বিপদত ৰাজ্য চৰকাৰ



ই-সংবাদ, ২২ জানুৱাৰীঃ গোৱালপাৰা জিলাৰ মাটিয়াৰ ডিটেনচন চেণ্টাৰত ২৭০ জন বিদেশীৰ গ্ৰেপ্তাৰক লৈ ত্ৰুটিপূৰ্ণ শপতনামা দাখিল কৰাত পুনৰবাৰ দেশৰ সৰ্বোচ্চ আদালতে অসম চৰকাৰক ২ পৃষ্ঠাত চাওক

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK,
COLOR PAVER BLOCK,
CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

### মহাৰাষ্ট্ৰৰ জলগাঁৱত শোকাৱহ ঘটনা

## জুইৰ পৰা বাচিবলৈ বুলি জাঁপ দিয়া ১২ জনক মহতিয়াই নিলে ৰেলে



মুম্বাই, ২২ জানুৱাৰীঃ উৰাবাতৰিৰ বাবে চলন্ত ৰে'লৰ পৰা জঁপিয়াই কৰুণ মৃত্যুক সাবতি ল'লে কমেও ৪ পৃষ্ঠাত

### ধান বনা মেচিনত মহিলাই হেৰুৱালে প্ৰাণ

## ওদালগুৰিত দুটাকৈ কৰুণ ঘটনাত দুজন নিহত

ই-সংবাদ, ওদালগুৰি, ২২ জানুৱাৰীঃ আজিৰ দিনটোত ওদালগুৰি চহৰৰ নিকটৱৰ্তী দুটাকৈ পৃথক স্থানত সংঘটিত দুটাকৈ দুৰ্ঘটনাত ২ পৃষ্ঠাত

## বিদ্যুৎ বিভাগৰ চূড়ান্ত গাফিলতিত কৰ্মৰত অৱস্থাত নিহত যুৱ শ্ৰমিক

প্ৰথম পৃষ্ঠাৰ পৰা...

# মুখাশিল্পী ললিত চন্দ্ৰ মহন্তৰ পৰলোক

ভাগত সত্ৰাধিকাৰ গৰাকীৰ চিকিৎসাধীন অৱস্থাতে পৰলোকপ্ৰাপ্তি ঘটে। সত্ৰীয়া সংস্কৃতিৰ একনিষ্ঠ সাধক ললিত চন্দ্ৰ মহন্তই মাজুলীৰ বিভিন্ন সামাজিক সমস্যাৰ সমাধানৰ বাবে সজোৰে মাত মাতি অহা এগৰাকী ব্যক্তি আছিল। ১৯৪০ চনত মাজুলীৰ এলেঙি নৰসিংহ সত্ৰত জন্মগ্ৰহণ কৰি অসমৰ ধৰ্ম,সমাজ সংস্কৃতিলৈ অনবদ্য অৱদান আগবঢ়োৱা ললিত চন্দ্ৰ মহন্তই ২০২০ চনত মাজুলী এলেঙি নৰসিংহ সত্ৰৰ সত্ৰাধিকাৰৰ দায়িত্ব গ্ৰহণ কৰাৰ লগতে ভকতি দুৱাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা শিক্ষক হিচাপে ২০০৬ চনত অৱসৰ গ্ৰহণ কৰিছিল। সত্ৰাধিকাৰ গৰাকীয়ে মুখা শিল্পৰ জড়িয়তে মুখাক জগত সভাত জিলিকাই তুলিবলৈ সক্ষ্যম হোৱাৰ বাবেই অসম চৰকাৰ পৰা এককালীন শিল্পী পেঞ্চনো লাভ কৰিবলৈ সক্ষম হৈছিল। অসম সত্ৰ মহাসভা, অসম সাহিত্য সভাৰ অক্লান্ত কৰ্মী সত্ৰাধিকাৰ ললিত চন্দ্ৰ মহন্ত মাজুলীৰ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰে জড়িত হৈ সমাজজীৱনৰ লগত সংপৃক্ত হৈ পৰিছিল। তাৎপৰ্যপূৰ্ণভাৱে মাজুলীৰ মিচিং জনগোষ্ঠীৰ লোকসকলক দীক্ষা প্ৰদান কৰি বৈষ্ণৱীকৰণ কৰাত তেওঁৰ অৱদান অপৰিসীম। ইফালে যোৰহাট চিকিৎসা মহাবিদ্যালয়ত মৃত্যু হোৱা সত্ৰাধিকাৰ গৰাকীৰ নশ্বৰদেহ যোৰহাটৰ পৰা নিজ গৃহলৈ অনাৰ পিছতে মহন্তৰ অগনন গুণমুগ্ধ, শিষ্য -প্ৰশিষ্যই আহি বাসগৃহত শেষ শ্ৰদ্ধা জনায়। ইয়াৰ পিছতেই সত্ৰীয়া পৰম্পৰাৰে সত্ৰাধিকাৰ গৰাকীৰ অন্তিম সংস্কাৰ সম্পন্ন কৰে। ইফালে সত্ৰাধিকাৰ গৰাকী মৃত্যুত মাজুলীত গভীৰ শোকৰ ছাঁ পৰা পৰিলক্ষিত হৈছে। সত্ৰাধিকাৰগৰাকীৰ মৃত্যুত ক্ৰমে মাজুলীৰ বিধায়ক ভুবন গাম, সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মা, অসম প্ৰদেশ ভাৰতীয় জনতা পাৰ্টী, ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰ বিধায়ক অখিল গগৈ, অসম জাতীয় পৰিষদৰ কেন্দ্ৰীয় সভাপতি লুৰিণ জ্যোতি গগৈ, ভাৰতীয় জনতা পাৰ্টী কৃষক মৰ্চাৰ ৰাজ্যিক সম্পাদক বিতোপন দলে, মাজুলী জিলা সত্ৰ মহাসভা, অভয়পুৰ নৰসিংহ সত্ৰ ভাস্কৰজ্যোতি ক্লাৱ, অভয়পুৰ, নৰসিংহ সত্ৰ গাঁও উন্নয়ন সমিতি, অভয়পুৰ নৰসিংহ সত্ৰ ভাস্কৰজ্যোতি মহিলা সমিতি, মাজুলী জিলা আপকু, মাজুলী জিলা সাংবাদিক সন্থা, সদৌ মাজুলী জিলা ছাত্ৰ সন্থা, মাজুলী জিলা যুৱ ছাত্ৰ পৰিষদ, ভাৰতীয় জনতা পাৰ্টীৰ মাজুলী জিলা সমিতি, অসম গণ পৰিষদ মাজুলী জিলা সমিতি,মাজুলী জিলা কংগ্ৰেছ, মাজুলী জিলা ৰাইজৰ দল, মাজুলী জিলা জাতীয় পৰিষদ, মাজুলী জিলা ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি, মাজুলী জিলা কোঁচ ৰাজবংশী ছাত্ৰ সন্থা, মাজুলী জিলা চুতীয়া ছাত্ৰ সন্থা, ১১২ নং নৰসিংহ সত্ৰ প্ৰাথমিক বিদ্যালয়, ভকতি দুৱাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়, হৰিঘাট ৰাঙলিবাহৰ উচ্চ মাধ্যমিক বিদ্যালয়, পদ্মশ্ৰী মধ্য ইংৰাজী বিদ্যালয়, ভকতি দুৱাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থী সমাজৰ লগতে বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠান, ব্যক্তিয়ে গভীৰ শোক প্ৰকাশ কৰিছে। ৮৫ বছৰ বয়সত ইহলীলা সম্বৰণ কৰা সত্ৰাধিকাৰ ললিত চন্দ্ৰ মহন্তই মৃত্যুৰ সময়ত পত্নী, তিনিগৰাকী পুত্ৰ, বোৱাৰী, তিনিগৰাকী বিবাহিতা জীয়ৰী, জোৱাই, ভাতৃ, ভতিজাসহ এটা বৃহৎ পৰিয়ালক এৰি যায়।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ওদালগুৰিত দুটাকৈ কৰুণ ঘটনাত

দুজন লোকে প্ৰাণ হেৰুৱায়। ঘটনাৰ প্ৰথম স্থান নলখামৰা গাওঁ। ৰাতিপুৱা প্ৰায় ৫-৩০ মান বজাত সংঘটিত হয় ঘটনাটো। গাওঁখনৰ শৈলেন্দ্ৰ নাথৰ পত্নী পূৰবী নাথ নামৰ বোৱাৰীগৰাকীৰ ধান বনা মেচিনত সোমাই থিতাতে নিহত হয়। নিজৰ ঘৰৰে ধান বনোৱা মেচিন কাম কৰি থকা অৱস্থাত মেচিনৰ ফিটাত প্ৰথমে মহিলাগৰাকীৰ কাপোৰ সোমাই যায় আৰু লগে লগে মহিলাগৰাকী মেচিনত সোমাই পৰে। ফলত মেচিনে মহিলাগৰাকীৰ ডিঙি ছেদ কৰাত মহিলাগৰাকীৰ মৃত্যু ঘটে। ঘটনা সন্দৰ্ভত আৰক্ষীক অৱগত কৰাত আৰক্ষীয়ে মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে ওদালগুৰি অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। মৃত্যুৰ সময়ত পূৰবী নাথে নিজ স্বামীৰ লগতে এগৰাকীকৈ পুত্ৰ আৰু কন্যা সন্তানক এৰি থৈ যায়। ইফালে আনটো ঘটনা সংঘটিত হয় ওদালগুৰি চহৰৰ নিকটৱৰ্তী ৰঙামাখা-খাংখালাবাৰী অঞ্চলত। বিদ্যুৎ বিভাগৰ গাফিলতিৰ বাবে প্ৰাণ হেৰুৱাব লগা হয় এগৰাকী শ্ৰমিকে। ঠিকাদাৰৰ অধীনত কৰ্মৰত কেইৱাজনো শ্ৰমিকে বুধবাৰে ওদালগুৰিৰ ৰঙামখা-খাংখালাবাৰীত বিদ্যুতৰ কাম কৰি আছিল। বিদ্যুৎ বিভাগে লাইন চাটডাউন (লাইন কাটা) দিয়া বুলি জনোৱাৰ পিছত নয়ন প্ৰসাদ ৰাভা (২৪) নামৰ যুৱকজনে লাইনৰ কাম কৰিবলৈ খুটাত উঠে। কিন্তু বিদ্যুতৰ তাঁৰত হাত দিয়াৰ লগে লগে শ্ৰমিকজনৰ শৰীৰত বিদ্যুৎ প্ৰৱাহ হয়। ফলত ওখ খুটাটোৰ পৰা তললৈ পৰে, ফলত মৃত্যুমুখত পৰে যুৱকজন। একেলগে কাম কৰি থকা বিদ্যুৎ শ্ৰমিক তথা ৰাইজৰ অভিযোগ মতে ওদালগুৰি বিদ্যুৎ বিভাগৰ বিদ্যুৎ সংযোগ বিচ্ছিন্ন কৰা বুলি নিশ্চয়তা দিয়া বুলি কোৱাৰ বাবেই শ্ৰমিক সকলে সেই স্থানত কাম কৰিবলৈ লৈছিল। আচলতে বিদ্যুৎ বিচ্ছিন্ন কৰাৰ তথ্য আছিল ভুল। বিভাগীয় ভাৱে খাউৰাং ফিদাৰৰ লাইনৰ সংযোগ বিচ্ছিন্ন কৰিব লাগিছিল যদিও ভুলক্ৰমে আন এটা অঞ্চলৰ বিদ্যতহে বিচ্ছিন্ন কৰিছিল বিভাগটোৱে। বিদ্যুৎ বিভাগৰ এনে চূড়ান্ত গাফিলতিৰ বাবেই যুৱকজনে মৃত্যুক সাবতি লবলগা হ'ল বুলি আন শ্ৰমিকসকলে অভিযোগ কৰে। জানিবপৰা মতে, শিক্ষিত যুৱকজনে সেনাবাহিনী আৰু আৰক্ষীত চাকৰিৰ বাবে অনুশীলন কৰাৰ লগতে ইতিমধ্যে পৰীক্ষাতো বহিছিল। তাৰ মাজতে এনেই নাথাকি ঘৰখনৰ পোহপালৰ বাবেই ঠিকাদাৰৰ অধীনত বিদ্যুৎ শ্ৰমিক হিচাপে কাম কৰিছিল। যুৱকজনৰ মৃত্যুৰ খবৰ পোৱাৰ পিছত গাওঁৰ ৰাইজে ভিৰ কৰে ওদালগুৰি অসামৰিক চিকিৎলালয়ত। ৰাইজে বিদ্যুৎ বিভাগৰ এনে ভয়ংকৰ গাফিলতিৰ বিৰুদ্ধে ক্ষোভিত হৈ পৰাৰ লগতে নিহতৰ পৰিয়ালবৰ্গলৈ উচিত ক্ষতিপূৰণৰ দাবী জনাইছে। উক্ত দুয়োটা ঘটনাৰ ফলত দুইগৰাকী লোকৰ মৃত্যুৰ খবৰে দুয়োজনৰ পৰিয়ালৰ লগতে স্বাভাৱিকতে সমগ্ৰ অঞ্চলজুৰি গভীৰ শোকৰ ছাঁ পেলাইছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাজীৱ শদিয়ালৈ বীৰ পাঙৰাও বঁটা

পাঙৰাও বঁটা" মৰোণোত্তৰভাৱে প্ৰদান কৰা হ'ব। শিৱসাগৰৰ প্ৰেছ ক্লাবত আজি সংবাদমেলযোগে এই ঘোষণা কৰে টাই আহোম যুৱ পৰিষদৰ কেন্দ্ৰীয় সভাপতি বিজয় ৰাজকোঁৱৰে। আমগুৰিৰ লালিম চাপৰিত টাইপাইয়ে অহা ২৭ জানুৱাৰীৰ পৰা ৫ দিনীয়াকৈ উদযাপন কৰিব মে-ডাম-মে-ফি। ৩০ জানুৱাৰীত মে-ডাম-মে-ফিৰ অনুষ্ঠানতে প্ৰয়াত ৰাজীৱ শদিয়াৰ পৰিয়ালৰ হাতত প্ৰদান কৰিব এই বঁটা। গণ শিল্পী ৰাজীৱ শদিয়াক জীৱিত কালত এই সন্মান আগবঢ়াবলৈ পোৱা হ'লে অধিক সুখী হ'লহেতেঁন বুলি উল্লেখ কৰি বিজয় ৰাজকোঁৱৰে কয় যে ৰাজীৱ শদিয়াই জাতিক জগাই দিব পৰা গান গাই গ'ল, লিখি গ'ল। তেওঁৰ সৃষ্টিয়ে তেওঁক আমাৰ মাজত সদায়ে জীয়াই ৰাখিব। তেওঁৰ দেহাৱসানে আমাক বাৰুকৈয়ে মৰ্মাহত কৰিছে। সংবাদমেলত জনোৱামতে, বিগত সময়ছোৱাত "বীৰ পাংৰাও বঁটা মানস ৰবীন, অজিত কুমাৰ ভূঞা, ৰাজদ্বীপ বাইলুং, হেম ভাই, ড° ভোলা গগৈ, যোগেন মহন, পবিত্ৰ মাঘৰিটাক প্ৰদান কৰা হৈছিল। চাৰিদিনীয়াকৈ অনুষ্ঠিত কৰিবলগীয়া মে' ডাম মে-ফি কাৰ্যসূচীত সকলোৰে সহযোগিতা কামনা কৰিছে টাই আহোম যুৱ পৰিষদে। উল্লেখ্য সংবাদমেলৰ আগেয়ে বিজয় ৰাজকোঁৱৰক কৰ্মীসকলে বিপুল অভিনন্দন জ্ঞাপন কৰে। শেহতীয়াকৈ সংগঠনটোৰ সভাপতি পদৰ বাবে নিৰ্বাচিত হোৱাত অভিনন্দন জনাই আন বিষয়ববীয়া তথা কৰ্মীসকলে। সংবাদমেলত টাইপাৰ উপ-সভাপতি মৃদুল বাইলুং ফুকন, কাৰ্যকৰী সভাপতি ৰুদ্ৰ বুঢ়াগোঁহাই, সাংগঠনিক সম্পাদক অসীম গগৈসহ কেইবাগৰাকী বিষয়ববীয়া উপস্থিত থাকে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# বাজেটৰ ৫১ শতাংশ ধন আজিও খৰচ

খৰচ কৰিব পৰা নাই হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰে। ২০২৪-২৫ বিত্তীয় বৰ্ষত নিৰ্ধাৰণ কৰা বাজেটৰ ধন খৰচ কৰিব নোৱাৰাত আজি অসম প্ৰদেশ কংগ্ৰেছে তীব্ৰ আক্ৰমণ কৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক। অসম প্ৰদেশ কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰিপুণ বৰাই আজি ৰাজীৱ ভৱনত সংবাদমেল সম্বোধন কৰি ২০২৪-২৫ বিত্তীয় বৰ্ষত অসম বিধান সভাত উত্থাপিত বাজেটক ভুৱা বাজেট আখ্যা দিছে। ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাজেটখন ভুৱা বাজেটত পৰিণত হোৱাৰ অভিযোগ উত্থাপন কৰি চিন্তাজনক তথ্য ৰাজহুৱা কৰিছে। জ্যেষ্ঠ মুখপাত্ৰ প্ৰফুল্ল কুমাৰ দাস, ঋতুপৰ্ণ কোঁৱৰ, অসম প্ৰদেশ মিডিয়া বিভাগৰ উপাধ্যক্ষ নেত্ৰৰঞ্জন চৌধুৰী, অৰূপজ্যোতি ভূঞাৰ উপস্থিতিত সম্বোধন কৰা সংবাদমেলত ৰিপুণ বৰাই গুৰুতৰ তথ্য ৰাজহুৱা কৰি ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাজেটত ধাৰ্য কৰা পুঁজিৰ ৫১ শতাংশ ধন আজিও হিমন্ত বিশ্ব শৰ্মা চৰকাৰে খৰচ কৰিব পৰা নাই বুলি কয়। কিন্তু বিত্তীয় বৰ্ষ সমাপ্ত হ'বলৈ মাজত মাথোঁ দুটামাহ বাকী আছে। ১৭ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হ'বলগীয়া বাজেট অধিৱেশনত ১০ মাৰ্চত দাখিল হ'ব ২০২৫-২৬ বৰ্ষৰ বাজেট। কিন্তু আগৰ বৰ্ষৰ বাজেটৰ আজিও ৫১ শতাংশ ধন খৰচ কৰিব পৰা নাই চৰকাৰে। আগৰ বিত্তীয় বৰ্ষৰ ধন খৰচ কৰিব নোৱৰা চৰকাৰে ২০২৬ চনত অনুষ্ঠিত হ'বলগীয়া নিৰ্বাচনক কেন্দ্ৰ কৰি দাখিল কৰিবলগীয়া নতুন বাজেটত ভোটাৰৰ স্বাৰ্থত প্ৰতিশ্ৰুতি দিব। কিন্তু আগৰ বাজেটৰ এতিয়াও ৫১ শতাংশ ধন খৰচ কৰিব পৰা নাই বুলিও গুৰুতৰ অভিযোগ উত্থাপন কৰিছে ৰিপুণ বৰাই। অসম প্ৰদেশ কংগ্ৰেছৰ প্ৰাক্তন সভাপতি তথা সাংসদ ৰিপুণ বৰাই সংবাদমেলত তীক্ষ্ণ প্ৰশ্ন কৰি হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰ কেৱল মিছা প্ৰতিশ্ৰুতি আৰু প্ৰলোভনৰ ৰাজনীতিৰে চলিছে বুলি কয়। মিছা তথ্য, মিছা প্ৰতিশ্ৰুতি দি ভোটাৰৰ মন জয় কৰি শাসনত থাকিব খোজা বিজেপিৰ ২০২৪-২৫ৰ বিত্তীয় বাজেটখনো তেনেকুৱাই আছিল বুলি কয়। বৰাই এইখন বাজেট ভুৱা আছিল বুলি বাৰে বাৰে দাবী কৰে আৰু কয় ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাজেটৰ কাৰ্যকাল শেষ হ'বলৈ দুই মাহ বাকী আছে। কিন্তু মাথো ৬০টা দিনত দুমাহত বাজেটত ধাৰ্য ধনৰাশি খৰচ হ'বনে বুলি প্ৰশ্ন কৰি বাজেটখন ভুৱা আছিল আৰু বাজেটত ঘোষিত আঁচনিত চৰকাৰে হাতেই নিদিলে। যাৰ বাবে বাজেটত ধাৰ্য টকাৰ ৫১ শতাংশ খৰচ হ'বলৈ বাকী থাকিল- কয় বৰাই। সংবাদমেলত দাঙি ধৰা তথ্য মতে, ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাজেটখনত ধাৰ্য কৰা হৈছিল ১,৪৩,৬০৬ কোটি টকা। বাজেটখনত ধাৰ্য কৰা অনুসৰি ৰাজ্যিক কৰৰ ৰাজহ ৩৪,১৪৯ কোটি টকা, অনাকৰ ৰাজহ ৮,৮৭১ কোটি টকা, কেন্দ্ৰীয় কৰৰ ৪০ হাজাৰ কোটি টকা, কেন্দ্ৰীয় আঁচনি ২৩,১৯৭ কোটি টকা, বিত্তীয় আয়োগৰ অনুদান ৪,৮০৬ কোটি টকা, আদাৰ ট্ৰান্সফাৰ এণ্ড গ্ৰাণ্টচ টু ষ্টেটচ উইথ লেজিচলেটৰৰ ৯২১ কোটি টকা, পাব্লিক ডিবেটৰ ২৯,৪৪১ কোটি টকা, ৰিক'ভাৰিচ অফ লোনচ এণ্ড এডভান্সৰ ২২২১ কোটি টকা ধাৰ্য কৰা হৈছিল। বাজেটত ধাৰ্য কৰা হৈছিল ১,৪৩,৬০৬ কোটি টকা। কিন্তু ৯৭,৪৪৪ কোটি টকাই কেন্দ্ৰীয় চৰকাৰ আৰু ঋণৰ ওপৰত নিৰ্ভৰ কৰা হৈছিল। যিহেতু কেন্দ্ৰীয় চৰকাৰ আৰু ঋণক ভৰষা কৰি ১,৪৩,৬০৬ কোটি টকা বাজেটত ধাৰ্য কৰা হৈছিল সেয়েহে কেন্দ্ৰীয় চৰকাৰে ধন আদায় কৰি নিদিয়াত পুঁজিৰ অভাৱতে বাজেটত ধাৰ্য টকাৰ ৫১ শতাংশ খৰচ কৰিব নোৱাৰিলে বুলি ৰিপুণ বৰাই গুৰুতৰ অভিযোগ আনে। ২০২৪-২৫ বৰ্ষৰ বাজেটৰ ২০টা ঘোষণা কৰিছিল হিমন্ত বিশ্ব শৰ্মা চৰকাৰে। বাজেটত ঘোষণা কৰাই নহয় বিজেপি দল আৰু মুখ্যমন্ত্ৰীয়ে মিডিয়াৰ আগত ব্যাপক ঢাক-ঢোল বজাইছিল। বৰাই দিয়া তথ্য অনুসৰি খোৱা পানী যোগান আৰু অনাময় শিতানত ব্যয় হৈছে ৩০ শতাংশ, নগৰ পৰিকল্পনা শিতানত ব্যয় হৈছে ৩৯ শতংশ, হাউচিং শিতানত ব্যয় হৈছে ১৪ শতাংশ, সামাজিক ন্যায় আৰু সবলীকৰণ শিতানত ব্যয় হৈছে ২১ শতাংশ, ভূমি আৰু পানী সংৰক্ষণ শিতানত ব্যয় হৈছে ২৭ শতাংশ, দুগ্ধ বিকাশ শিতানত ব্যয় হৈছে ২৬ শতাংশ, উদ্যোগ-বাণিজ্য শিতানত খৰচ হৈছে ১৯ শতাংশ, পৰ্যটন শিতানত খৰচ হৈছে ১১ শতাংশ, বিজ্ঞান প্ৰযুক্তি আৰু পৰিৱেশ শিতানত খৰচ হৈছে ১৬ শতাংশ, পাহাৰীয়া অঞ্চল উন্নয়ন শিতানত খৰচ হৈছে ২০ শতাংশ, থলুৱা জনজাতীয় পৰিক্ৰমা আৰু সংস্কৃতি শিতানত খৰচ হৈছে ৩৬ শতাংশ। নগৰ পৰিকল্পনা শিতানৰ বাহিৰে সকলোতে ধন খৰচ কৰাত বিফল হৈছে চৰকাৰ। বাজেটত ধাৰ্য ধন প্ৰায় ৪৯ শতাংশ খৰচ কৰিবলৈ সক্ষম হৈছে। বাজেট ব্যয়ৰ নিৰ্ধাৰিত নিয়ম অনুসৰি প্ৰথম তিনি মাহত খৰচ কৰিব লাগে ২০ শতাংশ। দ্বিতীয় তিনি মাহত খৰচ কৰিব লাগে ৩০ শতাংশ। তৃতীয় তিনি মাহত খৰচ কৰিব লাগে ৩০ শতাংশ। চতুৰ্থ তিনি মাহত খৰচ কৰিব লাগে ২০ শতাংশ। বৰ্তমানলৈ ৮০ শতাংশ খৰছ হ'ব লাগিছিল। এতিয়ালৈ খৰচ হৈছে ৪৯ শতাংশ। বাকী ৫১ শতাংশ দুমাহত কেনেকৈ খৰচ কৰিব চৰকাৰৰ পৰা উত্তৰ বিচাৰিছে কংগ্ৰেছ নেতাগৰাকীয়ে। বৰাই পুনৰ কয় যে বিজেপিয়ে ডাবল ইঞ্জিনৰ চৰকাৰ বুলি গৌৰৱ কৰে কিন্তু বাজেটত নিৰ্ধাৰিত টকা সংগ্ৰহ কৰিব নোৱাৰাৰ বাবেই ধাৰ্য কৰা ধন খৰচ কৰিব নোৱাৰিলে। বাজেটৰ ধন কৰ্মচাৰীৰ দৰমহা, মুখ্যমন্ত্ৰীক বিলাস বহুল ভ্ৰমণ, হেলিকপ্টাৰ, চাৰ্টাড বিমান, মন্ত্ৰীৰ বিদেশ ভ্ৰমণত খৰচ কৰে। কেন্দ্ৰীয় চৰকাৰৰ পৰা পাবলগীয়া বিশেষকৈ জিএছটি অংশ আৰু কেন্দ্ৰীয় পৃষ্ঠপোষকতাৰ আঁচনি বিলাকৰ আৱণ্টিত ধন, ৰয়েল্টি আদি খুজিবলৈ সাহস নাই মুখ্যমন্ত্ৰীৰ। গাদী হেৰুৱাৰ ভয়ত কেন্দ্ৰৰ ওচৰত আঁঠু লৈছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। বাজেটত ধাৰ্য কৰা ধন খৰচ কৰিব পৰা নাই আৰু ঋণৰ ওপৰত ঋণ লৈ আছে। বৰাই আন এক গুৰুতৰ অভিযোগ উত্থাপন কৰি কয় যে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ এমজি এনৰেগাৰ প্ৰাপ্য পুঁজি যোৱা দুটা বছৰত কেন্দ্ৰীয় চৰকাৰে মোকলাই দিয়া নাই। অসমৰ ২৬৬১খন গাঁও পঞ্চায়তৰ ৬৪,৯৮,৭২৮ টা জবকাৰ্ড থকা পৰিয়ালৰ মাত্ৰ ৬৪০২ পৰিয়ালেহে ১০০ দিনৰ কাম পাইছে বুলি ক্ষোভ ব্যক্ত কৰে বৰাই। ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাজেটত ঘোষিত আঁচনিসমূহ আছিল অগ্নিবীৰ ৰূপে অৱসৰ পোৱা সেনা জোৱানৰ বাবে অসম আৰক্ষীত চাকৰি সংৰক্ষণ, কণী-গাখীৰ আৰু মাছ উৎপাদনত আত্মনিৰ্ভৰশীলতা, ক্ষুদ্ৰ চাহ খেতিয়কক উদগনি, ষ্টাৰ্টআপ মিছন পদ্মশ্ৰী হেমপ্ৰভা চুতিয়াৰ বাসভৱনত প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন, পিএম বিশ্বকৰ্মা যোজনা, ফাৰ্ম মেছিনেজাইজেচন, ৰুফটপ চ'লাৰাইজেচন, ক্লাইমেট একচন, অমৃত-গুৱাহাটী ইন্টিগ্ৰেটেড গ্ল'বেল চিটি, আয়ুষ্মান অসম, কম্পেহাৰ্নশ্বিপ স্কুল হেলথ প্ৰগ্ৰেম আণ্ডাৰ চিফ মিনিষ্টাৰচ আয়ুষ্মান অসম, ভিলেজ এণ্ড কমিউনিটি আউটৰিচ প্ৰগ্ৰেম ফ'ৰ এমবিবিএছ ষ্টুডেণ্টচ ইন আসাম আণ্ডাৰ চীফ মিনিষ্টাৰ্চ আয়ুষ্মান অসম, চেম্পিয়নিং ডিজিটেল ট্ৰান্সফ'ৰ্মেচন এণ্ড আৰ্টিফিচিয়েল ইণ্টেলিজেন্স, জ্ঞান-ধাৰা-ইন্টিগ্ৰেটেড ভাৰ্চুৱেল টেকন'লজি উইথ ফ'ৰ ইক্সপ্ৰিয়েনচিয়েল লাৰ্নিং, নতুন দিল্লীত তৃতীয়টো অসম ভৱন, আপোন ঘৰ-আপোন ভৱন, বিভিন্ন ক্ষেত্ৰৰ কৰ্মচাৰীৰ বাবে সহযোগ, জীৱিকা সখী এক্সপ্ৰেছ, বন এলেকাৰ গাঁও প্ৰধানৰ বাবে মাহেকীয়া মাননী দিয়াৰ কথা ঘোষণা কৰিছিল চৰকাৰে। কিন্তু এনে আঁচনিসমূহ কাৰ্যকৰী নকৰাত অসম চৰকাৰৰ বাজেটত নিৰ্ধাৰণ কৰা ধন খৰচ কৰিব নোৱাৰিলে মুখ্যমন্ত্ৰী হিমন্ত হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰে।

# উপৰহালীত লোকগীত আৰু বৰগীত প্ৰতিযোগিতা সম্পন্ন

**ই-সংবাদ, মিৰ্জা, ২২ জানুৱাৰীঃ** দক্ষিণ কামৰূপৰ পলাশবাৰী সমষ্টিৰ উপৰহালী দখলা শ্ৰী শ্ৰী বুঢ়াগোসাঁই হৰিহৰ লোকসংগীত, সংগী দলৰ উদ্যোগত ৪২ সংখ্যক সদৌ অসম ভিত্তিত লোকগীত আৰু বৰগীত চলন্ত শ্বিল্ড প্ৰতিযোগিতা ২১ জানুৱাৰীত দখলা পাহাৰস্থিত শ্ৰী শ্ৰী বুঢ়াগোসাঁই মন্দিৰ প্ৰাংগণত সফলতাৰে সামৰণি হয়। কুশল দেৱ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভা উদ্বোধন কৰে লোকগীতৰ ওজা বংশীধৰ দাসে। মুখ্য অতিথি হিচাপে ভাষণ ৰাখে পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়াই। লোকগীত প্ৰতিযোগিতাত প্ৰথম স্থান দখল কৰে নিবেদিতা দাসে, দ্বিতীয় স্থানত হিয়াশ্ৰী দাস, তৃতীয় স্থান লাভ কৰে মানমেন্দ্ৰ দাসে। লগতে নিচুকনি বঁটা পায় দিয়ামণি কাকতিয়ে। বৰগীত প্ৰতিযোগিতাত মামনি দাসে প্ৰথম, নিখিতা শৰ্মাই দ্বিতীয় আৰু তৃতীয় স্থান দখল কৰে বৃষ্টি তালুকদাৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

## জুইৰ পৰা বাচিবলৈ বুলি জাঁপ দিয়া ১২

বাৰ জন যাত্ৰীয়ে। এই হৃদয় বিদাৰক ঘটনা সংঘটিত হৈছে মহাৰাষ্ট্ৰৰ জলগাঁৱৰ সমীপত। জলগাঁৱৰ পৰাণ্ডা ৰে'লৱে ষ্টেচনৰ সমীপত পুষ্পক এক্সপ্ৰেছৰ ডবাত অগ্নিকাণ্ড সংঘটিত হোৱাৰ আতংকিত প্ৰাণ ৰক্ষা কৰিবলৈ যাত্ৰীসকলে জাঁপ দিছিল চলন্ত ৰে'লখনৰ পৰা। কিন্তু সেই সময়তে কাষৰ ট্ৰেকেৰে পাৰ হোৱা কৰ্ণাটক এক্সপ্ৰেছৰ খুন্দাত প্ৰাণ হেৰুৱাবলগীয়া হয় যাত্ৰীসকলে। সংবাদ মাধ্যমৰ সূত্ৰ অনুসৰি ৰে'লখনত অগ্নিকাণ্ড সংঘটিত হোৱাৰ উৰাবাতৰি বিয়পি পৰাত যাত্ৰীসকলৰ মাজত চৰম আতংকৰ সৃষ্টি হয়। বহুতে শিকলি টানি ৰেলখন ৰখাবলৈ চেষ্টা কৰাৰ বিপৰীতে আন কিছুমানে আতংকিত হৈ চলন্ত ৰেলখনৰ পৰা জপিয়াই পৰে। কিন্তু দুৰ্ভাগ্যজনকভাৱে সেই সময়তে কাষৰ ট্ৰেকেৰে বিপৰীত দিশৰ পৰা কৰ্ণাটক এক্সপ্ৰেছ আহি থকাত সেই ৰে'লৰ খুন্দাত থিতাতে মৃত্যু ঘটে কেইবাজনো যাত্ৰীৰ। মৃতকৰ সংখ্যা এতিয়াও স্পষ্ট নহয় যদিও কেন্দ্ৰীয় ৰে'লৱেৰ সূত্ৰই জনোৱা মতে, কমেও ১২ জন লোকৰ মৃত্যু হোৱা বুলি নিশ্চিত হৈছে। অৱশ্যে এই সংখ্যা আৰু বৃদ্ধি পাব পাৰে বুলি আশংকা কৰা হৈছে। ঘটনাৰ ফলত আহত কেইবাজনো যাত্ৰীক উদ্ধাৰ কৰি ওচৰৰ চিকিৎসালয়লৈ প্ৰেৰণ কৰা হৈছে। ঘটনাৰ কাৰণ সন্দৰ্ভত প্ৰাৰম্ভিক তদন্তত প্ৰকাশ পাইছে যে অগ্নিকাণ্ডৰ ঘটনাটো প্ৰকৃততে বাস্তৱিক নাছিল। পুষ্পক এক্সপ্ৰেছৰ এটা ডবাত ব্ৰেক বাইণ্ডিংৰ বিসংগতি বা অতি উত্তাপৰ বাবে জুইৰ স্ফুলিংগ দেখা যায়। তাৰ পিছতে অগ্নিকাণ্ড সংঘটিত হোৱা বুলি আতংকিত হৈ পৰে যাত্ৰীসকল। এই ভয়াবহ ঘটনাৰ পিছত ৰে'লৱেৰ নিৰাপত্তা ব্যৱস্থাক লৈ প্ৰশ্ন উত্থাপন হৈছে। যাত্ৰীৰ সুৰক্ষা আৰু ৰে'লৰ আন্তঃগাঁথনিৰ বিসংগতি সন্দৰ্ভত জৰুৰী তদন্ত আৰম্ভ কৰা হৈছে। উদ্ধাৰ অভিযান চলাই থকা হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

## এডভাণ্টেজ আছাম অসাৰ! দাবী আপৰ

জানুৱাৰীৰ পৰা এছিয়াৰ দুখন দেশ দক্ষিণ কোৰিয়া আৰু জাপানত এডভাণ্টেজ আছাম ২.০ সন্মিলনৰ প্ৰচাৰত ব্যস্ত। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ লক্ষ্য হৈছে দুয়ো দেশৰ বিনিয়োগকাৰীক আকৰ্ষিত কৰা। বিদেশ ভ্ৰমণৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক আক্ৰমণৰ লক্ষ্য কৰি লৈছে আম আদমী পাৰ্টীৰ অসমৰ ৰাজ্যিক সমিতিয়ে। আজি মুখ্যমন্ত্ৰীক কেবাটাও প্ৰশ্ন কৰে আপৰ ৰাজ্যিক সমিতিয়ে। ৰাজ্যিক উপ-সভাপতি তথা মুখ্য মুখপাত্ৰ অনুৰূপা ডেকাৰজাই গণেশগুৰিৰ কাৰ্যালয়ত সংবাদমেল সম্বোধন কৰি এডভাণ্টেজ আছাম ১.০ত অনুষ্ঠিত কৰি ৰাজ্যখনলৈ কিমান বিদেশী পুঁজি আনিলে সেই তথ্য ৰাজহুৱা কৰাৰ দাবী জনায়। অনুৰূপা ডেকাৰজাই কয় যে আগৰবাৰ এডভাণ্টেজ আছাম ১.০ত অনুষ্ঠিত কৰাত কিমান পুঁজি বিনিয়োগ হৈছিল তাৰ উত্তৰ দিয়ক চৰকাৰে। ৰাইজে দিয়া কৰ তথা ৰাজহুৱা ধন ব্যয় কৰি এডভাণ্টেজ আছাম অনুষ্ঠিত কৰি অৰ্থনৈতিক দিশত অসমৰ কি লাভ হ'ল। আগৰবাৰৰ এডভাণ্টেজ আছামৰ পৰা কল-কাৰখানা কিমান স্থাপন হ'ল, কিমান নিবনুৱাই সংস্থাপন পালে সকলো সামৰি শ্বেতপত্ৰ প্ৰকাশ কৰক মুখ্যমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দুই দেশ ভ্ৰমণৰ সময়তে শদিয়াৰ বিধায়ক বলীন চেতিয়া আৰু কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী তুলিৰাম ৰংহাংক লগত নিয়াত তীব্ৰ ক্ষোভ ব্যক্ত কৰি ডেকাৰজাই কয় যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বিধায়ক বলীন চেতিয়া আৰু দুৰ্নীতিৰ সম্ৰাট তুলিৰামক ভাৰত চৰকাৰে বৈদেশিক পুঁজি বিনিয়োগৰ দায়িত্ব দিছে নেকি? এডভাণ্টেজ অসামৰ চৰকাৰী পুঁজিৰ শ্ৰাধ কৰা হৈছে। অনুৰূপা ডেকাৰজাই কয় যে বৈদেশিক সম্পৰ্ক, বিদেশী ৰাষ্ট্ৰৰ সৈতে বাণিজ্যিক সম্বন্ধ, বিদেশী পুঁজিৰ বিনিয়োগৰ বিষয় হৈছে কেন্দ্ৰীয় চৰকাৰৰ। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক কেন্দ্ৰীয় চৰকাৰে এই ক্ষেত্ৰত দায়িত্ব অৰ্পণ কৰিছে নেকি? অসমবাসীৰ কৰ-কাটল ধনেৰে মুখ্যমন্ত্ৰীৰ লগত জাপান-দক্ষিণ কোৰিয়ালৈ নিছে বিধায়ক বলীন চেতিয়া আৰু কাৰ্বি আংলং জিলা স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী তুলিৰাম ৰংহাঙক। জাপান-কোৰিয়াৰ বিনিয়োগকাৰীক আমন্ত্ৰণ জনাবলৈ কেন্দ্ৰীয় চৰকাৰৰ সংশ্লিষ্ট বিভাগে বলীন চেতিয়া আৰু তুলিৰাম ৰংহাঙক দায়িত্ব দিছে নেকি? কাৰ্বি আংলং জিলাৰ কয়লা কেলেংকাৰীৰ চিবিআই তদন্ত কৰিলে তুলিৰাম ৰংহাঙ জে'লৰ ভাত খাবলগীয়া হ'ব সততে নানা অজুহাতত বিদেশ ভ্ৰমণত ব্যস্ত থকা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় চৰকাৰে ভাৰতত বৈদেশিক পুঁজি বিনিয়োগত সমূলি ব্যৰ্থ হৈছে নেকি। যাৰ ফলত অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, বিধায়ক বলীন চেতিয়া আৰু দুৰ্নীতিৰ সম্ৰাট তুলিৰামক এই দায়িত্ব ল'বলগীয়া হৈছে?

■ প্ৰথম পৃষ্ঠাৰ পৰা...

## মণিপুৰত এনডিএৰ সংগ এৰিলে নীতিশে

পৰিস্থিতিৰ মাজতে নতুন প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে বিজেপি নেতৃত্বাধীন চৰকাৰ। বুধবাৰে মণিপুৰৰ বীৰেণ সিং চৰকাৰৰ পৰা সমৰ্থন প্ৰত্যাহাৰৰ ঘোষণা কৰিছে নীতিশ কুমাৰৰ জনতা দল ইউনাইটেডে। ইয়াৰ পিছত এতিয়াৰে পৰা বিৰোধী আসনত বহিব ৰাজ্যৰ একমাত্ৰ জেডিইউ বিধায়ক মহম্মদ আব্দুল নাছিৰ। ইফালে বিহাৰত বিজেপিৰ মিত্ৰদল জেডিইউয়ে মণিপুৰত সমৰ্থন প্ৰত্যাহাৰ কৰাৰ পিছতে বীৰেণ সিং চৰকাৰৰ ভৱিষ্যতক লৈ জল্পনা-কল্পনাৰ সৃষ্টি হৈছে। যদিও বিজেপি মিত্ৰজোঁটৰ ওচৰত এতিয়াও সংখ্যাগৰিষ্ঠতা আছে, তৎসত্বেও হিংসাত্মক পৰিস্থিতিত আক্ৰান্ত ৰাজ্যখনত চৰকাৰৰ স্থিতিশীলতাক লৈ প্ৰশ্ন উত্থাপন হৈছে। উল্লেখ্য যে, ইয়াৰ পূৰ্বে নেশ্যনেল পিপলছ পাৰ্টিয়েও বীৰেন সিং চৰকাৰৰ পৰা সমৰ্থন প্ৰত্যাহাৰ কৰিছিল। মণিপুৰত ইটোৰ পিছত সিটো দলে চৰকাৰৰ পৰা সমৰ্থন প্ৰত্যাহাৰ কৰা কাৰ্যই মুখ্যমন্ত্ৰী বীৰেণ সিঙৰ প্ৰতি অসন্তুষ্টি প্ৰতিফলিত কৰা দাবী দাবী কৰিছে অনেকে। উল্লেখ্য যে, ২০২২ চনৰ নিৰ্বাচনত মণিপুৰত জেডিইউয়ে ৬খন আসন লাভ কৰিছিল যদিও পৰৱৰ্তী সময়ত ৫জন বিধায়কে বিজেপিত যোগদান কৰে। এতিয়া মণিপুৰ বিধানসভাত জে ডি ইউৰ একমাত্ৰ বিধায়ক হৈছে মহম্মদ আব্দুল নাছিৰ। ৰাজ্যপাললৈ লিখা এখন পত্ৰত বুধবাৰে জেডিইউৰ মণিপুৰ ইউনিটৰ মুৰব্বী ক্ষেত্ৰিমায়ুম বীৰেণ সিঙে বিজেপি চৰকাৰৰ পৰা সমৰ্থন উঠাই লোৱাৰ সিদ্ধান্ত ব্যক্ত কৰে। নীতিশৰ দলৰ এই সিদ্ধান্তক লৈ দেশজুৰি চৰ্চা হৈছে।

# ছৈখোৱাৰ কেঁচাখাইটী শালত গাঁও পূজা সম্পন্ন

**ই-সংবাদ, ডুমডুমা, ২২ জানুৱাৰীঃ** উজনি অসমৰ তিনিচুকীয়া জিলাৰ প্ৰান্তৰৱৰ্তী ছৈখোৱা (ধলা) স্থিত ঐতিহাসিক শ্ৰীশ্ৰী কেঁচাখাইটী শালৰ মাঘ মাহৰ গাওঁ পূজাভাগ আজি সুকলমে অনুস্থিত হৈ যায়। আজিৰ পূজাভাগত তিনিচুকীয়া জিলাৰ বিভিন্ন প্ৰান্তৰ পৰা শাক্ত পন্থাত বিশ্বাসী ভক্তসকলে পুৱা শালত উপস্থিত হৈ ধূপ-ধূনা, চাকি-বন্তিৰে পূজা-অৰ্চনা আগবঢ়োৱাৰ লগতে আমৰুলি হাঁহ, পঠা ছাগলী আদি গোঁসানীৰ নামত বলীৰ বাবে আগবঢ়ায়। আজিৰ পূজাভাগিত ৭২০ টা হাঁহ আৰু ২০ টা পঠা ছাগলী গোঁসানীৰ আগত বলী দিয়াৰ লগতে কেইবাযোৰা পাৰ গোঁসানীৰ নামত উচৰ্গা কৰি শালৰ চৌহদত উৰুৱাই দিয়ে। উল্লেখ্য যে, ছৈখোৱাৰ ঐতিহাসিক শ্ৰী শ্ৰী কেচাঁখাইটী গোঁসানী শালত প্ৰতি বছৰৰ ব'হাগ, আহাৰ, কাতি, আঘোণ আৰু মাঘ মাহকে ধৰি মুঠ পাঁচভাগ পূজা অনুষ্ঠিত হোৱাৰ বিধান আছে। ইয়াৰে আঘোণ মাহৰ শালৰ সৰ্ববৃহৎ পূজাভাগ অৰ্থাৎ ঐতিহাসিক " বাবু পূজা " মাহটোৰ যিকোনো এটা দেওবাৰৰ দিনত অনুষ্ঠিত হোৱাৰ বিপৰীতে ব'হাগ, কাতি আৰু মাঘ মাহৰ পূজাকেইভাগ মাহটোৰ বুধবাৰৰ দিনবিশেষত অনুষ্ঠিত হয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ত্ৰুটিপূৰ্ণ শপতনামা! ৰাজ্য চৰকাৰক

ভৎৰ্সনা কৰিছে। ন্যায়াধীশ অভয় এছ ওকা আৰু নংমেইকাপাম কোটেশ্বৰ সিঙৰ বিচাৰপীঠে অসমত চৰকাৰক তীব্ৰ ভৎৰ্সনা কৰে। পৰৱৰ্তী শুনানিত ভিডিঅ' কনফাৰেন্সৰ জৰিয়তে অসমৰ মুখ্য সচিবক উপস্থিত থাকিবলৈ কঠোৰ নিৰ্দেশ দিছে উচ্চতম ন্যায়ালয়ে। অসম চৰকাৰক ন্যায়াধিকৰণৰ দ্বাৰা বিদেশী ঘোষণা কৰা কোনো ব্যক্তিক বিতাড়নৰ ব্যৱস্থা নকৰা পৰ্যন্ত গ্ৰেপ্তাৰ নকৰিবলৈ এখন আবেদন কৰা হৈছিল উচ্চতম ন্যায়ালয়ত। একেখন আবেদনত ডিটেনচন চেণ্টাৰৰ পৰিচ্ছন্নতা, খাদ্যৰ মানদণ্ডকে ধৰি মৌলিক সুবিধাসমূহক লৈ উচ্চতম ন্যায়ালৰ হস্তক্ষেপ দাবী কৰা হৈছিল। জানিব পৰা মতে, ইয়াৰ আগত ৯ ডিচেম্বৰৰ শুনানিত শীৰ্ষ ন্যায়ালয়ৰ বিচাৰপীঠে ৯ ডিচেম্বৰৰ পৰা শপতনামা দাখিল কৰিবলৈ ছয় সপ্তাহৰ সময় দিছিল ৰাজ্য চৰকাৰক। কিন্তু আজি ৰাজ্য চৰকাৰে শপতনামা দাখিল কৰিছিল যদিও আদালত সন্তুষ্ট নহ'ল। ওলোটাই ৰাজ্য চৰকাৰ আদালতৰ ৰোষত পৰে। আদালতে বিচৰা তথ্যসহ শপতনামা দাখিল নকৰাত আদালতৰ আদেশৰ ভয়ংকৰ উলংঘন বুলি কৈ পৰৱৰ্তী শুনানিত খোদ মুখ্য সচিবক আদালতত উপস্থিত থাকিবলৈ নিৰ্দেশ দি কঠোৰ স্থিতি গ্ৰহণ কৰে। শুনানিকালত বিচাৰপীঠে কয় যে ৯ ডিচেম্বৰত ৰাজ্য চৰকাৰক শপতনামা দাখিল কৰিবলৈ ছয় সপ্তাহৰ সময় দিয়া হৈছিল। আশা কৰা হৈছিল যে ২৭০ জন বিদেশী নাগৰিকক ডিটেনচন কেম্পত বন্দী কৰাৰ কাৰণ আৰু তেওঁলোকক বিতাড়নৰ বাবে লোৱা পদক্ষেপৰ বিৱৰণ দিব। শপতনামাখনে গ্ৰেপ্তাৰ কৰি ৰখাৰ কোনো যুক্তি প্ৰদান নকৰিলে। বিতাড়নৰ বাবে লোৱা পদক্ষেপৰ কথাও উল্লেখ কৰা হোৱা নাই। এয়া আদালতৰ আদেশৰ ভয়ংকৰ উলংঘন। আমি মুখ্য সচিবক ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে উপস্থিত থাকিবলৈ আৰু নিৰ্দেশনা পালন নকৰাৰ বিষয়ে উত্তৰ দিবলৈ নিৰ্দেশ দিছো। আদালতত ৰাজ্য চৰকাৰৰ হৈ উপস্থিত থকা চৰকাৰী অধিবক্তাই শপতনামাত উল্লেখ কৰিছিল যে বিদেশী ন্যায়াধিকৰণৰ দ্বাৰা বিদেশী ঘোষণা কৰাৰ পিছতহে ব্যক্তিসকলক গ্ৰেপ্তাৰ কৰা হৈছিল। অবৈধ প্ৰব্ৰজনকাৰীক বিতাড়ন কৰিব খোজাৰ ব্যৱস্থাক লৈ উত্তৰ দিয়া হৈছে। শীৰ্ষ আদালতে জানিব বিচাৰিছিল যে নিৰ্বাসন প্ৰক্ৰিয়া আৰম্ভ নোহোৱাকৈ কিয় বন্দীত্ব অব্যাহত আছে। ইপিনে বন্ধ খামত শপতনামা দিয়াতো আদালতৰ ককৰ্থনাৰ সন্মুখীন হয় ৰাজ্য চৰকাৰ। অসম চৰকাৰৰ হৈ আদালতত হাজিৰ থকা চৰকাৰী অধিবক্তাই শপতনামা বন্ধ খামত দিয়াত অসন্তুষ্টি প্ৰকাশ কৰি আদালতে কয় যে ইয়াৰ দ্বাৰা স্পষ্ট যে ৰাজ্য চৰকাৰ স্বচ্ছ হ'ব নিবিচাৰে। শপতনামাত এনে কি গোপনীয় কথা আছে সেয়া আমাক জনাওক? অধিবক্তাজনে তেতিয়া কৈছিল যে শপতনামাখনত বিদেশীসকলৰ ঠিকনা সন্নিৱিষ্ট হৈ আছে আৰু বিৱৰণবোৰ সংবাদ মাধ্যমলৈ যাব পাৰে। চৰকাৰৰ অধিবক্তাই কয় যে দাখিল কৰা শপতনামা বন্ধ খামত ৰখাৰ দৰকাৰ, কিয়নো তথ্যসমূহ গোপনীয়। তেতিয়া আদালতে কয় যে যদিও আমি নিৰ্দেশ দিছো যে বন্ধ খামত দিব লাগে। প্ৰাথমিকভাৱে আমি অধিবক্তাৰ সৈতে একমত নহয় যে বিষয়বস্তুত কিবা গোপনীয়তা আছে। আদালতৰ আৰ্দেশ আমান্য কৰাত আজি আদালতত ব্যাপক সমালোচনাৰ সন্মুখীন হয় ৰাজ্য চৰকাৰ। ২০২৪ চনৰ নৱেম্বৰত মাহত দেশৰ শীৰ্ষ আদালতে ৰাজ্যিক পৰ্যায়ৰ সেৱা প্ৰাধিকৰণক ডিটেনচন কেম্পক লৈ বিশেষ নিৰ্দেশনা প্ৰদান কৰিছিল। উচ্চতম ন্যায়ালয়ে বিদেশী আইন, ১৯৪৬ৰ ধাৰাৰ অধীনত গোৱালপাৰাৰ মাটিয়াস্থিত ডিটেনচন কেম্প তাৎক্ষণিক পৰিদৰ্শন কৰিবলৈ নিৰ্দেশ দিছিল। ৰাজ্যৰ সৰ্ববৃহৎ ডিটেনচন কেম্পটোত মহিলা বন্দীসকলৰ বাবে স্বাস্থ্যসেৱাৰ অভাৱ আৰু বিদেশী ঘোষণা কৰাসকলক শৈক্ষিক আৰু বৃত্তিমূলক ব্যৱস্থা কৰা হোৱা নাছিল। নাছিল পৰিচ্ছন্নতা আৰু খাদ্যৰ মানদণ্ডকে ধৰি মৌলিক সুবিধাসমূহ। উচ্চতম ন্যায়ালয়ে ৰাজ্যিক পৰ্যায়ৰ সেৱা প্ৰাধিকৰণক এমাহৰ ভিতৰত প্ৰতিবেদন সাজু কৰাৰ দায়িত্ব দিছিল। আদালতৰ নিৰ্দেশনাত ৰাজ্যিক পৰ্যায়ৰ সেৱা প্ৰাধিকৰণে দাখিল কৰা বিতং প্ৰতিবেদনত শিবিৰটোত গুৰুত্বপূৰ্ণ ত্ৰুটি ধৰা পৰিছিল। ২০২৪ চনৰ ২৬ জুলাইৰ শুনানিত উচ্চতম ন্যায়ালয়ে অনথিভুক্ত গ্ৰেপ্তাৰ কৰা সন্দেহজনক লোক আৰু অনুপ্ৰৱেশকাৰীক দিয়া সুবিধাসমূহৰ দুখজনক অৱস্থাক সমালোচনা কৰিছিল। ন্যায়ালয়ে অপৰ্যাপ্ত পানী যোগান, পৰ্যাপ্ত বাথৰুম আৰু অপৰিষ্কাৰ পৰিচ্ছন্নতাৰ কথা উল্লেখ কৰিছিল। আদালতে জোৰ দি কৈছিল যে প্ৰতিবেদনখনত আটক কৰা লোকসকলক খাদ্য আৰু চিকিৎসা সহায়ৰ ব্যৱস্থাক পৰ্যাপ্ত নহয় বুলি দেখুৱাইছে। ২০২৪ চনৰ ১৬ মে'ত বিষয়টোৰ শুনানিৰ সময়ত শীৰ্ষ ন্যায়ালয়ে কেন্দ্ৰই মাটিয়াৰ ডিটেনচন চেণ্টাৰৰ বিদেশীক বিতাড়ন কৰাৰ বাবে তাৎক্ষণিক পদক্ষেপ ল'ব লাগিব বুলি কৈছিল। ডিটেনচন চেণ্টাৰত দুবছৰতকৈ অধিক সময় অতিবাহিত কৰা চাৰিজনক বিতাড়ন কৰিবলৈ অগ্ৰাধিকাৰ দিয়া উচিত। আবেদন কৰ্তাই অসম চৰকাৰক ন্যায়াধিকৰণৰ দ্বাৰা বিদেশী ঘোষণা কৰা কোনো ব্যক্তিক গ্ৰেপ্তাৰ নকৰিবলৈ নিৰ্দেশনা বিচাৰিছিল। যেতিয়ালৈকে বিতাড়নৰ ব্যৱস্থা কৰিব পৰা নাযায় তেতিয়ালৈকে গ্ৰেপ্তাৰ কৰা নহওক। উল্লেখ্য যে, ২০২৪ চনৰ ছেপ্টেম্বৰ মাহত দীৰ্ঘদিন ধৰি বন্দী হৈ শিবিৰত ম্যানমাৰৰ পৰা অহা ৰোহিংগীয়া আৰু চীনৰ শৰণাৰ্থীসকলে অনশন কৰিছিল। প্ৰতিবাদকাৰীসকলে নতুন দিল্লীত ৰাষ্ট্ৰসংঘৰ শৰণাৰ্থী উচ্চায়ুক্তলৈ স্থানান্তৰ আৰু তৃতীয় দেশত পুনৰ সংস্থাপনৰ দাবী জনাইছিল। কেম্পটোত বৰ্তমান ২৭০ ৰো অধিক লোকক ৰখা হৈছে।

# ৰাজীৱ শদিয়াৰ ঘৰত প্ৰদেশ কংগ্ৰেছৰ প্ৰতিনিধি

**ই-সংবাদ, ২২ জানুৱাৰীঃ** আজি প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাৰ নেতৃত্বত এটা সঁজাতী দলে শদিয়াৰ সদ্যপ্ৰয়াত গণশিল্পী ৰাজীৱ শদিয়াৰ ঘৰলৈ যায়। বিৰোধী দলপতি দেৱব্ৰত শইকীয়াৰ লগতে প্ৰায় ১৫ জনীয়া সঁজাতী দলটোৱে প্ৰয়াস ৰাজীৱ শদিয়াৰ প্ৰতিচ্ছৱিত মাল্যৰ্পণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। শোকসন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন কৰে। ৰাজীৱ শদিয়াৰ পত্নীৰ হাতত ভূপেন কুমাৰ বৰা আৰু দেৱব্ৰত শইকীয়াই ২ লাখ টকাৰ চেক প্ৰদান কৰে। পৰিয়ালৰ সৈতে দীৰ্ঘ সময় অতিবাহিত কৰাৰ লগতে হাজাৰ হাজাৰ লোকৰ উপস্থিতিত শেষকৃত্য সম্পন্ন কৰা ঠাইডোখৰত উপস্থিত হৈ কংগ্ৰেছৰ দলটোৱে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাই ৰাজীৱ শদিয়াৰ মৃত্যুত প্ৰদেশ কংগ্ৰেছৰ পৰিয়াল মৰ্মাহত বুলি কয়। ভূপেন কুমাৰ বৰাই আমি তেখেতৰ গান সকলোৱে শুনিছো বুলি কৈ কয় যে তেওঁৰ এটা গান 'গোটেই অসমত ঘূৰিলো ক'তো অসমীয়া নেদেখিলো' গানটোৱে আমাক চুই যায়। আমাৰ মাজত জাত-পাত, ভাষাৰ মাজেৰে বিভাজন কৰাৰ যিটো ষড়যন্ত্ৰ, সেই ষড়যন্ত্ৰৰ বিৰুদ্ধে ৰাজীৱ শদিয়া এটা শক্তিশালী কণ্ঠ আছিল। অসমীয়াত্ব, অসমীয়া জাতিৰ সংজ্ঞা কি সেয়া তেওঁ বুজাব বিচাৰিছিল। সেই গানটোৱে অসমীয়াৰ সংজ্ঞাটো নতুন প্ৰজন্মক বুজাব বিচাৰিছিল। যিবিলাক কাম আমি বহু মানুহে লগলাগি কৰিব নোৱাৰো সেয়া শদিয়াই কাম অকলে কৰিছিল। গানৰ মাজেৰে বাৰ্তা দিছিল জাতিক। নেতাক তেওঁ 'ৰাইজৰ আৱেগৰ দালাল হ'ব নালাগে' বুলি কৈছিল। এজনে গায়কে নেতাসকলক যেনেদৰে সাৱধানবাণী শুনাইছিল সেয়া সাধাৰণ কথা নহয়। নেতা হৈছে ৰাইজৰ আৱেগৰ দালাল। তেওঁ তেনেকৈ কিয় গাবলগীয়া হৈছিল। তেনেকৈ জাতীয় স্বাৰ্থত গাইছিল। জাতিক যেতিয়া কোনোবাই বিপথে পৰিচালিত কৰা দেখিছিল তেতিয়াও তেওঁ নিজেই গান লিখিছিল। সুৰ নিজেই দিছিল। মাথো ৪০ বছৰ বয়সত তেনে এজন যুৱক আমাৰ মাজৰ পৰা আঁতৰি যোৱাটো অত্যন্ত দুখৰ খবৰ। আনহাতে দেৱব্ৰত শইকীয়াই কয় যে সংগ্ৰামী গীতৰ মাজেৰে গণশিল্পী ৰাজীৱ শদিয়াই জাতীয় কথা-বতৰা ক'বলৈ চেষ্টা কৰিছিল। জাতি-মাটিৰ গান গাই অসমীয়া স্বাভিমানী ৰাইজক উদ্বুদ্ধ কৰা ৰাজীৱ শদিয়াৰ বিয়োগ অসমীয়া সমাজ জীৱনৰ বাবেই এক অপূৰণীয় ক্ষতি। প্ৰয়াত শিল্পীগৰাকীক শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে শোকসন্তপ্ত পৰিয়ালটোক সমবেদনা জনাইছো। দুয়ো নেতাৰ সৈতে তিনিচুকীয়া, ধেমাজি, ডিব্ৰুগড়, চৰাইদেউ, শিৱসাগৰ জিলা কংগ্ৰেছৰ নেতৃত্ব উপস্থিত থাকে।

### কালভাৰ্ট স্থাপনৰ নামতো বহুৰালি, গা এৰা দিছে লোক নিৰ্মাণ বিভাগে, ক্ষুব্ধ ৰাইজ

# মৰণফান্দত পৰিণত ঐতিহাসিক হাৰিপৰা আলি, যানবাহন চলাচল ব্যাহত



**ই-সংবাদ, শিৱসাগৰ, ২২ জানুৱাৰীঃ** শিৱসাগৰ ডিমৌ আৰু শিৱসাগৰ সমষ্টি সংযোগী ঐতিহাসিক হাৰিপৰা আলি বৰ্তমান মৰণফান্দলৈ পৰিণত হৈছে। ঠিকাদাৰ আৰু লোকনিৰ্মাণ বিভাগৰ বহুৰালি, অনিয়মৰ বাবে এতিয়া হাৰিপৰা আলি অতি বিপদজনক হৈ পৰিছে। এবছৰতে বিধ্বস্ত হৈ পৰাৰ বাতৰি ইতিমধ্যে সংবাদ মাধ্যমত সবিস্তাৰে প্ৰকাশ পাইছিল। চূড়ান্ত বিসংগতিপূৰ্ণভাৱে আৰু নিম্নমানৰ সামগ্ৰী ব্যৱহাৰ কৰা বাবেই কাম সম্পূৰ্ণ হোৱা এবছৰ পিছতে ঐতিহাসিক হাৰিপৰা পথৰ বিভিন্ন অংশ বহি যোৱাৰ উপৰিও বখলা বখলে এৰি গৈছে পকীসমূহ। কেৱল ইমানেই নহয়, খেলুৱা দুৱৰীগাঁৱত হাৰিপৰা আলিত থকা এটা কালভাৰ্ট ভাগি বহি যোৱাত অতি বিপদজনক হৈ পৰা বাতৰি প্ৰকাশ হোৱাৰ পিছতে তিনিদিন আগেয়ে এটা নতুন কালভাৰ্ট স্থাপন কৰাছিল যদিও সেয়াও বৰ্তমান মৰণ ফান্দত পৰিণত হৈছে। কালভাৰ্টো বোকা মাটিৰ ওপৰতে স্থাপন কৰাৰ লগতে কালভাৰ্টৰ ওপৰতো দিলে কেঁচা মাটি। ফলত সেই কালভাৰ্টৰ ওপেৰেদি যোৱা ইখনৰ পিছত সিখন গাড়ী লাগি ধৰাত বাৰুকৈয়ে যমৰ যতনা ভোগ কৰিছে ৰাইজে। আনকি কালভাৰ্ট পাৰ কৰিব নোৱাৰাত দুদিন গাড়ী লাগি ধৰাত যানবাহন চলাচল স্তব্ধ হৈ পৰে। বিশেষকৈ ৰোগী কঢ়িয়াই নিয়া এম্বুলেন্স পৰ্যন্ত আবদ্ধ হৈ পৰে। ঠিকাদাৰ পুলিন গায়ন আৰু লোক নিৰ্মাণ বিভাগৰ চৰম হেমাহি, গাফিলতি তথা অনিয়মৰ বাবেই এই ভয়ংকৰ পৰিস্থিতিৰ সন্মুখীন হৈছে যাত্ৰীসকল। কালভাৰ্টতো সঠিকভাৱে স্থাপন নকৰাৰ বাবেই সেই স্থানত ব্যৱসায়ীক যান বাহন দুৰ্ঘটনাগ্ৰস্ত হোৱাত বৰ্তমান ক্ষোভত ফাটি পৰিছে ৰাইজ। এইক্ষেত্ৰত ডিমৌ সমষ্টিৰ বিধায়ক সুশান্ত বৰগোঁহাই আৰু শিৱসাগৰৰ বিধায়ক অখিল গগৈৰ হস্তক্ষেপৰ দাবী কৰাৰ লগতে শীঘ্ৰেই সুচল যাতায়তৰ ব্যৱস্থা কৰিবলৈ দাবী জনাইছে একাংশ ৰাইজে। লগতে সংশ্লিষ্ট ঠিকাদাৰ, অভিযন্তাৰ বিৰুদ্ধেও ব্যৱস্থা লোৱাৰ দাবী তুলিছে। উল্লেখ্য যে পকীকৰণ সম্পূৰ্ণ কৰা তিনিমাহৰ পিছতে হাৰিপৰা আলিটোৰ কেতবোৰ অংশত বখলা ফালে এৰি গৈছিল। সেই সময়ত এনে দুৰৱস্থাৰ বাতৰি প্ৰকাশ কৰাৰ পিছত অনিয়ম ঢাকিবলৈ যেনে-তেনে জোৰাটাপলি মাৰি পুনৰ মেৰামতি কৰে যদিও সেয়াও অতি নিম্নমানৰ হোৱাত সকলো ফুটুকাৰ ফেন হ'ল। ইয়াৰ পৰিপেক্ষিতত বৰ্তমান প্ৰতিবাদমুখৰ হৈ পৰিছে একাংশ স্থানীয় ৰাইজ। চেঙেলীবাৰীৰ পৰা হাৰিপৰা তিনিআলিলৈকে ৰাজ্যিক স্ব-অগ্ৰাধিকাৰ আঁচনিৰ অধীনত ৮.২০ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথটো উন্নিতকৰণ আৰু বহলকৰণৰ অৰ্থে ১০ কোটি টকা পুঁজি আবন্টন দিছিল। নিবিদা লাভ কৰিছিল পুলিন গায়ন নামৰ এগৰাকী বিতৰ্কিত ঠিকাদাৰে। অতি পৰিতাপৰ বিষয় যে ২০২১ চনৰ ১৩ ফেব্ৰুৱাৰীত প্ৰাক্তন সাংসদ তপন কুমাৰ গগৈয়ে আধাৰশিলা কৰা পথটোৰ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হোৱা এবছৰ হৈছে। কম দিনৰ ভিতৰতে ভাগি যোৱাত ভগ্ন অংশত প্ৰেলেপ দিয়ে যদিও সেইবিলাকো এতিয়া ভাগি তচনছ হ'ল। কোটি কোটি টকা ব্যয় কৰা দেখুৱাই পকীকৰণ তথা উন্নিতকৰণ আৰু বহলকৰণ কৰা পথটো অতি কম দিনৰ ভিতৰতে বিধ্বস্ত হৈ পৰা দৃশ্যই উদঙাইছে দুৰ্নীতিৰ ছবিখন। ইয়াৰ পৰিপ্ৰেক্ষিতত একাংশ ৰাইজে এনে নিম্ন মানৰ কাম কৰা ঠিকাদাৰ, লোক নিৰ্মাণ বিভাগৰ অভিযন্তাৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে। লগতে শীঘ্ৰেই উচিত তদন্ত কৰি সংশ্লিষ্ট ঠিকাদাৰ বিৰুদ্ধে ব্যৱস্থা লৈ ব্লেক লিষ্টেড কৰাৰ দাবী জনাইছে। ইপিনে পথটো নিৰ্মাণ কাৰ্য চলি থকাৰ সময়ত নিম্ন মানৰ কাম যে কৰিছিল সেই সন্দৰ্ভত লোক নিৰ্মাণ বিভাগৰ একাংশ বিষয়া অভিযন্তাক জনাইছিল যদিও গুৰুত্ব নিদিলে। যাৰ ফলত ৰাজকোষৰ ধনৰ অপব্যৱহাৰ হোৱাৰ লগতে যাতায়তৰ ক্ষেত্ৰত সমস্যা উদ্ভৱ হোৱা বুলি ক্ষোভ প্ৰকাশ কৰিছে একাংশ ৰাইজে। লগতে শীঘ্ৰেই উচিত তদন্ত কৰি পথটো যাতায়তৰ বাবে সুচল কৰাৰ দাবী জনাইছে। লোকনিৰ্মাণ বিভাগৰ একাংশ বিষয়া, অভিযন্তাই সঠিকভাৱে নিৰীক্ষণ নকৰা বাবেই ঠিকাদাৰে এনে নিম্ন মানৰ কাম কৰিবলৈ সাহস পালে নেকি বুলিও প্ৰশ্ন উত্থাপন কৰিছে একাংশ ৰাইজে। অন্যহাতে দুৰ্নীতিগ্ৰস্ত ঠিকাদাৰগৰাকীক লোক নিৰ্মাণ বিভাগৰ অভিযন্তাৰ সন্মুখতে ফোন কৰি প্ৰশ্ন কৰাত তৰল যুক্তি দি বিষয়টোৰ পৰা ফালৰি কাটে। ডাম্পাৰ যোৱাটো বন্ধ কৰি দিয়ক বুলি পৰামৰ্শ আগবঢ়াই বিষয়টোৰ পৰা ফালৰি কাটে পুলিন গায়নে। লোকনিৰ্মাণ বিভাগৰ অধীনত থকা পথটো যানবাহন চলাচল কৰিবৰ বাবেই অধিক বহল কৰি পকীকৰণৰ বাবে চৰকাৰে পদক্ষেপ লৈছিল। তেনে স্থলত যানবাহন চলোৱাটো স্বাভাৱিক কথা। পকীকৰণ মজবুতকৈ নকৰি এতিয়া দায়সৰা মন্তব্য কৰাত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

# মাৰ্চত প্ৰকাশ পাব ইউপিপিএলৰ দলীয় ভিজন ডকুমেন্ট

**ই-সংবাদ, মুছলপুৰ, ২২ জানুৱাৰীঃ** অহা মাৰ্চ মাহৰ ভিতৰত প্ৰকাশ পাব ইউ পি পি এল ৰাজনৈতিক দলৰ ভিজন ডকুমেন্ট । ভিজন ডকুমেন্টত থাকিব হৈ যোৱা আৰু হ'ব লগা বিটিআৰৰ উন্নয়ন মূলক কামৰ খতিয়ান । বাক্সা জিলাৰ মুছলপুৰস্থিত ইউ পি পি এল কাৰ্যালয়ত অনুষ্ঠিত সাংবাদিক মেলত আজি এই কথা প্ৰকাশ কৰে ইউ পি পি এল দলৰ কেন্দ্ৰীয় সমিতিৰ সদস্য তথা প্ৰচাৰ বিভাগৰ সদস্য হেমন্ত দেই। সংবাদমেলত ইউ পি পি এল দলৰ সাংগঠনিক শক্তি সম্পৰ্কে মন্তব্য কৰি তেওঁ কয় যে বৰ্তমান সময়ত ইউ পি পি এল দল ৰাজনৈতিকভাৱে এটা শক্তিশালী দল। বিটিচি নিৰ্বাচনত বিটিআৰৰ ৪০ টা পৰিষদীয় সমষ্টিতে দলটোৱে নিৰ্বাচন খেলিবলৈ সাজু। কাৰণ বিটিআৰৰ সকলো শ্ৰেণীৰ লোকে দলটোক আকোঁৱালি লৈছে। প্ৰতিটো জাতি জনগোষ্ঠীৰ আস্থা লাভ কৰিবলৈ সক্ষম হৈছে। প্ৰমোদ বড়োৰ নেতৃত্বত বিটিআৰ অঞ্চললৈ শান্তি স্থাপন হৈছে। আজিৰ এই সংবাদমেলত হেমন্ত দেই কয় যে ভাৰতবৰ্ষৰ ভিতৰতে ইউপিপিএল একমাত্ৰ এটা ৰাজনৈতিক দল যিয়ে বিটিআৰত বসবাস কৰা ২৫টা জনগোষ্ঠীৰ সম উন্নয়নৰ বাবে ভিজন ডকুমেন্ট তৈয়াৰ কৰিছে।

# একশৰণ মহাপুৰুষীয়া ভাগৱতী সমাজৰ মানৱদৰদী পদক্ষেপ

**ই-সংবাদ, মৰিয়নি, ২২ জানুৱাৰীঃ** অসমৰ ধৰ্মীয় পৰম্পৰাৰে পৰিচালিত সমাজ ব্যৱস্থাৰ সামাজিক সংগঠনসমূহৰ অন্যতম সংগঠন ‘একশৰণ মহাপুৰুষীয়া ভাগৱতী সমাজ’। ১৯৯০ চনত জন্মলাভ কৰা সামাজিক সংগঠনটোৱে ইয়াৰ সামাজিক নীতি-নিয়ামসমূহ সাংবিধানিকভাৱে পালন কৰি অহাৰ লগতে সমাজখনৰ আন্তঃগাঁথনি উন্নয়ন যেনে স্বাস্থ্য সেৱা, কৃষকৰ সুবিধা হোৱাকৈ পশু-পক্ষীৰ নিয়মীয়া টিকাকৰণ আদি কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। সংগঠনটোৰ পূব যোৰহাট আঞ্চলিক সমিতিৰ প্ৰধান সম্পাদকৰ দায়িত্বত থকা চেলেংহাট অঞ্চলৰ মগৰৈ গাঁৱৰ তিলক গগৈয়ে এই বৰ্ষৰ ১৪ জানুৱাৰীত উচ্চ ৰক্তচাপজনিত ৰোগত আক্ৰান্ত হৈ যোৰহাট চিকিৎসা মহাবিদ্যালয়ত অকাল মৃত্যুক আঁকোৱালি লয়। উল্লেখ্য যে উক্ত ধৰ্মীয় অনুষ্ঠানটোৱে সদ্য প্ৰয়াত সংগীজনৰ মৃত্যুতিথি উপলক্ষে মগৰৈ গাঁৱৰ প্ৰয়াত গগৈৰ বাসগৃহত ২৪ জানুৱাৰীত নকছাৰী স্বাস্থ্য কেন্দ্ৰৰ সহযোগত এখনি স্বাস্থ্য সজাগতা আৰু চিকিৎসা সেৱা শিবিৰৰ আয়োজন কৰিছে। উল্লেখ্য যে সদ্য প্ৰয়াত তিলক গগৈ পূব যোৰহাট শিক্ষা খণ্ডৰ অধীনৰ নাগিনীজান ০৯ নং লাইন মজদুৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক হিচাপে কৰ্মৰত আছিল। ১৯৬৬ চনত জন্মগ্ৰহণ কৰা গগৈয়ে ১৯৮৬ চনতে উক্ত বিদ্যালয়খন স্থাপন কৰি অঞ্চলটোত শিক্ষাৰ পোহৰ বিলাইছিল। ২০১৬ চনত প্ৰাদেশিকীকৰণ হোৱা বিদ্যালয়খনৰ বাবে তেওঁ অঞ্চলটোৰ ৰাইজৰ মৰম পাবলৈ সক্ষম হৈছিল। বিদ্যালয়ৰ শৈক্ষিক দিশৰ উপৰি সমাজৰ বিভিন্ন ক্ষেত্ৰত আগৰণুৱা গগৈয়ে গাঁও পৰিচালনা সমিতি আৰু যুৱ সংঘৰো সম্পাদকৰ দায়িত্ব পালন কৰিছিল। সদ্য প্ৰয়াত গগৈয়ে মৃত্যুৰ সময়ত পত্নী, তিনিটা সন্তান আৰু বহু ইষ্ট-কুটুম্ব এই সংসাৰত এৰি থৈ যায়।

# বহিঃৰাজ্যত সন্ধানহীন ধুবুৰীৰ যুৱক

**ই-সংবাদ, গোলকগঞ্জ, ২২ জানুৱাৰীঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত বিষখোৱা চতুৰ্থ খণ্ড গাঁৱৰ এজন যুৱক বহিঃৰাজ্যলৈ কাম কৰিব গৈ নিৰুদ্দেশ হোৱা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, গাঁওখনৰ আজিজুৰ হক বেপাৰীৰ কনিষ্ঠ পুত্ৰ হাবিব ৰাজ বেপাৰী যোৱা চাৰি জানুৱাৰীত কাম কৰিবলৈ তামিলনাডুলৈ যায়। তাত উপস্থিত হোৱাৰ পিছৰে পৰা ঘৰৰ লগত যোগাযোগ বন্ধ হৈ পৰে যুৱকজনৰ। যুৱকজনৰ ম’বাইল বন্ধ হৈ পৰাত যথেষ্ট চিন্তাত পৰিছে পৰিয়ালৰ লোক। চাৰিওফাল খা-খবৰ কৰিও কোনো সন্ধান নাপাই অৱশেষত আজি পৰিয়ালৰ লোকে গোলকগঞ্জ থানাত যুৱকজন নিৰুদ্দেশ হোৱা বুলি এজাহাৰ দাখিল কৰে।

## দীৰ্ঘদিনীয়া সমস্যাৰ অন্ত পৰিব জাগীৰোডবাসীৰ

# উদ্বোধনৰ বাবে সাজু জাগী ভকতগাঁও সেতু

**ই-সংবাদ, জাগীৰোড, ২২ জানুৱাৰীঃ** জাগীৰোডবাসী ৰাইজৰ বাবে পুনৰ এক ভাল খবৰ। অহা ১ ফেব্ৰুৱাৰীত পুনৰ জাগীৰোডলৈ আহিব মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা। মুকলি কৰিব বহু প্ৰত্যাশিত জাগীৰোড-মৰিগাঁও সংযোগী পথৰ জাগী ভকতগাঁৱৰ কপিলী নৈ ওপৰত নৱনিৰ্মিত দলং। ওৰ পৰিব জাগীৰোডৰ লগতে মৰিগাঁও জিলাবাসীৰ যাতায়াতৰ ক্ষেত্ৰত সন্মুখীন হৈ অহা দীৰ্ঘদিনীয়া সমস্যাৰ। প্ৰায় ৮০ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা হৈছে দলংখন। মুকলিৰ পূৰ্বে মঙলবাৰে দলঙখন পৰিদৰ্শন কৰে স্থানীয় বিধায়ক তথা অসম চৰকাৰৰ মন্ত্ৰী পীযুষ হাজৰিকাই। উক্ত দিনা অনুষ্ঠিত হ’বলগীয়া মুকলি সভা সন্দৰ্ভতো বুজ লয় মন্ত্ৰীগৰাকীয়ে। এই সন্দৰ্ভত প্ৰয়োজনীয় প্ৰস্তুতিৰ বাবে স্থান পৰিদৰ্শন কৰাৰ লগতে আৰু সকলো ব্যৱস্থাপনা সন্দৰ্ভত জিলা আয়ুক্ত দেৱাশীষ শৰ্মা, আৰক্ষী অধীক্ষক হেমন্ত দাসসহ জ্যেষ্ঠ চৰকাৰী বিষয়াসকলৰ সৈতে মন্ত্ৰীগৰাকী আলোচনাত মিলিত হয়।



প্ৰয়াত শিল্পী ৰাজীৱ শদিয়াৰ বাসগৃহত প্ৰদেশ কংগ্ৰেছৰ সভাপতি আৰু বিৰোধী দলপতি, ফটো বুধবাৰৰ

# ড্ৰিমলেণ্ড ৰ’য়েল একাডেমীৰ দশম শ্ৰেণীৰ শিক্ষাৰ্থীক বিদায় সম্বৰ্ধনা

**ই-সংবাদ, শিমলীতোলা, ২২ জানুৱাৰীঃ** দক্ষিণ বৰপেটাৰ চেঙা সমষ্টি মন্দিয়া শিক্ষা খণ্ডৰ অন্তৰ্গত বাঘমাৰা চৰৰ আগশাৰীৰ ব্যক্তিগত খণ্ডৰ বিদ্যালয় ড্ৰিমলেণ্ড ৰ'য়েল একাডেমিৰ দশম শ্ৰেণীৰ শিক্ষাৰ্থীসকলক আজি বিদ্যালয়ৰ ফালৰ পৰা আনুষ্ঠানিকভাৱে বিদায় সম্বৰ্ধনা জনোৱা হয়। উল্লেখ্য যে আগন্তক হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথমবাৰৰ বাবে বিদ্যালয়খনৰ পৰা অৱতীৰ্ণ হ’ব ৩৫ গৰাকী শিক্ষাৰ্থী। জানিব পৰা মতে, বিদ্যালয়খনৰ অধ্যক্ষ ৰুমানুল হকৰ সঞ্চালনাত অনুষ্ঠিত সভাখনৰ আঁত ধৰে বিদ্যালয়খনৰ সহকাৰী শিক্ষক ৰিয়াজুল হকে। সভাত দশম শ্ৰেণীৰ বিদায়ী ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয়ত অধ্যয়নৰত অৱস্থাত শিক্ষাগুৰু তথা কনিষ্ঠ ছাত্ৰ-ছাত্ৰীৰ লগত অজানিতে হোৱা ভুলৰ মাৰ্জনা বিচাৰি সকলোৰে পৰা দোৱা আৰু আশীৰ্বাদ বিচাৰি আৱেগিক ভাষণ দিয়ে। পৰৱৰ্তী সময়ত বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সম্পাদক ইনামুল হক, বিদ্যালয়খনৰ সহকাৰী শিক্ষক ক্ৰমে আব্দুল কাশেম, জবান আলম, আবু মুছা, সাহজাহান আলী, মাজহাৰুল আলম খান, আয়নাল হক, ইন্নছ আলীৰ লগতে ছাউথ বৰপেটা হাইস্কুলৰ প্ৰধান শিক্ষক আঃ বাৰিক মণ্ডল, বি এছ ধৰ্মপুৰ হাইস্কুলৰ শিক্ষক লোকমান হেকিম, আহাদ আলী আৰু আব্দুল কৰিমে বিদায়ী ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি ভাষণ প্ৰদান কৰে। স্মৰ্তব্য যে, বিদ্যালয়খন ২০২৩ চনত স্থাপিত হৈছিল যদিও এই বাৰ প্ৰথমবাৰৰ বাবে বিদ্যালয়খনৰ পৰা প্ৰথমবাৰৰ বাবে ৩৫ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হ’ব। সেই উদ্দেশ্যে আজি বিদ্যালয়ৰ তৰফৰ পৰা বিদায়ী শিক্ষাৰ্থীসকলক সম্বৰ্ধনা জনোৱা হয়।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

# সাংবাদিক আবুল মাজান গ্ৰেপ্তাৰক লৈ আন্দোলনৰ হুংকাৰ মুছলিম ছাত্ৰ সন্থা অসমৰ

**ই-সংবাদ, লাহৰীঘাট, ২২ জানুৱাৰীঃ** বিশ্বনাথৰ সাংবাদিক আবুল মাজানৰ গ্ৰেপ্তাৰ সন্দৰ্ভত মুছলিম ছাত্ৰ সন্থা অসম (মুছা)ৰ সভাপতি আশ্বিক ৰাব্বানীয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে কেতিয়াবা ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে সাংবাদিক এজনক ভাবুকি দিব, মন্ত্ৰী পীযুষ হাজৰিকাই সাংবাদিকক ভাবুকি দিব তাৰ পিছতো কিন্তু অসম অসম আৰক্ষী বিশেষ পদক্ষেপ নোলোৱাটো ৰহস্যজনক। সাংবাদিক আবুল মাজানে বিধায়ক পদ্ম হাজৰিকাৰ পত্নীৰ 'হিট এণ্ড ৰান' গাড়ীৰ খুন্দাত এগৰাকী সাধাৰণ মানুহৰ মৃত্যুৰ হোৱাৰ বাতৰি পৰিৱেশন কৰাৰ বাবে সাংবাদিকগৰাকীক আৰক্ষীয়ে বেআইনীভাবে গ্ৰেপ্তাৰ কৰা ঘটনা গ্ৰহণযোগ্য নহয় বুলি অভিহিত কৰে মুছলিম ছাত্ৰ সন্থা, অসম 'মুছা'ৰ সভাপতিগৰাকীয়ে। দুৰ্নীতি বিৰোধ্য, শূন্য সহনশীল নীতি গ্ৰহণ কৰা বুলি কোৱা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সাংবাদিকসকলক নিৰাপত্তা প্ৰদানত সম্পূৰ্ণৰূপে ব্যাৰ্থ হৈছে বুলি অভিযোগ কৰে মুছাৰ সভাপতি আশ্বিক ৰাব্বানীয়ে। গৃহ বিভাগৰ দায়িত্বত থকা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই স্থিতি স্পষ্ট কৰক কিহৰ বাবে অসম আৰক্ষীয়ে এজন সাংবাদিকক গ্ৰেপ্তাৰ কৰিব, নিৰপেক্ষ বাতৰি পৰিৱেশন কৰাটো কাল হ'ল নেকি? সাংবাদিকজনে যদি এজন বিধায়কৰ পৰিয়ালৰ বিৰুদ্ধে মাত মাতি গ্ৰেপ্তাৰ হ'বলগীয়া হৈছে তেন্তে সৰ্বসাধাৰণ ৰাইজৰ জীৱন সম্পত্তিৰ নিৰাপত্তা ক'ত বুলি প্ৰশ্ন কৰে মুছাৰ সভাপতি আশ্বিক ৰাব্বানীয়ে। আগন্তুক ২৪ ঘণ্টাৰ ভিতৰত যদি সাংবাদিক আবুল মাজানক মুক্তি দিয়া নহয় তেনেহ'লে গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ সাংবাদিকৰ সুৰক্ষাৰ দাবীত গণতান্ত্ৰিক আন্দোলনৰ গঢ়ি তোলা হ'ব বুলি জনায় মুছলিম ছাত্ৰ সন্থা অসম (মুছা)ৰ সভাপতি আশ্বিক ৰাব্বানীয়ে।এইসকল যুৱক-যুৱতীয়ে এনে আঁচনিৰ যোগেদি জীৱনত আশাৰ ৰেঙনি নিশ্চিতভাৱে কঢ়িয়াই আনিবলৈ সক্ষম হ'ব। এনে প্ৰেক্ষাপটত এই আঁচনিৰ ধাৰাবাহিকতা বৰ্তাই ৰাখিবলৈ সচেতন মহলে অইল ইণ্ডিয়াক আহ্বান জনাইছে।

# মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ দ্বিতীয় মহলাৰ গৃহ উদ্বোধন

**ই-সংবাদ, মৰিগাঁও, ২২ জানুৱাৰীঃ** তিৱা স্বায়ত্ত পৰিষদৰ ১০ লাখ টকাৰ আবণ্টিত পুঁজিৰে নিৰ্মিত মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ দ্বিতীয় মহলাৰ গৃহটো আজি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে তিৱা স্বায়ত্ত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰে। উদ্বোধনী অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি বন্তি প্ৰজ্বলনৰে কাৰ্যসূচী শুভাৰম্ভ কৰে সংস্থাৰ উপদেষ্টা মহেন্দ্ৰ নাথ হাজৰিকাই। ইয়াৰ পিছতেই নৱনিৰ্মিত গৃহটো ফিটা কাটি উদ্বোধন কৰে তিৱা স্বায়ত্ত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰে। নৱনিৰ্মিত গৃহটোৰ উদ্বোধনী অনুষ্ঠানৰ লগত সংগতি ৰাখি অনুষ্ঠিত হোৱা সভাখন সঞ্চালনা কৰে সংস্থাৰ সভাপতি বিৰিঞ্চি কুমাৰ শৰ্মাই। সংস্থাৰ সম্পাদক জিতুমণি নাথে আঁত ধৰা উদ্বোধনী অনুষ্ঠানত ভাষণ প্ৰদান কৰি তিৱা স্বায়ত্ত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন চন্দ্ৰ কোঁৱৰে কয় যে তিৱা স্বায়ত্ত পৰিষদখন সুস্থভাৱে পৰিচালনা কৰাত মৰিগাঁও জিলা সাংবাদিক সংস্থাই যি সহায়-সহযোগিতা কৰি আহিছে সেয়া সঁচাকৈয়ে প্ৰশংসনীয়। তিৱা স্বায়ত্ত পৰিষদখন পৰিচালনাৰ ক্ষেত্ৰত প্ৰতিজন সদস্যকে ভাতৃ সুলভ দৃষ্টিভংগী পোষকতা কৰি অহাৰ বাবেই সুস্থিৰভাৱে পৰিচালনা কৰাটো সহজ সাধ্য হৈছে। ইয়াৰ মাজতে সকলো জাতি-জনগোষ্ঠীক তিৱা স্বায়ত্ত পৰিষদে ঐক্য আৰু সম্প্ৰীতি দোলেৰে বান্ধি ৰাখিবলৈ প্ৰয়াস কৰি অহা বুলি মন্তব্য কৰাৰ লগতে সংস্থাৰ নৱনিৰ্মিত গৃহটো ব্যৱহাৰ উপযোগী কৰি তোলাত তিৱা স্বায়ত্ত পৰিষদৰ ফালৰ পৰা সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়োৱা হ'ব বুলি মন্তব্য কৰে। তিৱা স্বায়ত্ত পৰিষদৰ চৰকাৰী মনোনীত সদস্য অজিত ডেকাই বিশিষ্ট অতিথিৰ ভাষণত মৰিগাঁও জিলা সাংবাদিক সংস্থাই গ্ৰহণ কৰি অহা পদক্ষেপৰ শলাগ লোৱাৰ লগতে তিৱা স্বায়ত্ত পৰিষদৰ ফালৰ পৰা তেওঁৰ সদস্য পুঁজিৰ ৫ লাখ টকা আবণ্টন দিয়া হ'ব বুলি মন্তব্য কৰে। মৰিগাঁও জিলা সাংবাদিক সংস্থাৰ উপদেষ্টা মহেন্দ্ৰ নাথ হাজৰিকা, উপেন চন্দ্ৰ ডেকাই শুভেচ্ছামূলক বক্তব্য প্ৰদান কৰা সভাখনত সংস্থাৰ প্ৰাক্তন সভাপতি প্ৰতাপ হাজৰিকা, জগদীশ চন্দ্ৰ নাথ, প্ৰাক্তন সম্পাদক বুবুমণি গোস্বামী, অজিত শৰ্মা, প্ৰণৱ কুমাৰ ভট্টাচাৰ্য, সহঃ সম্পাদক মানস নাথ, বিশিষ্ট সাহিত্যিক মিলেশ্বৰ পাতৰ, বিশিষ্ট কবি হৰেন্দ্ৰ বৰা, লেখিকা পুনাদেৱী মহন্ত, স্মৃতিৰেখা গোহাঁই, স্বপ্না কলিতা, গেৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ বাবুল বৰা, জ্যেষ্ঠ নাগৰিক মাধৱ শৰ্মা, নুৰ মহম্মদ, গম্ভীৰ মেধি, ৰমেশ বৰ্মন, ৰাজু শৰ্মা, লক্ষী শইকীয়া, জয়ন্ত কুমাৰ ডেকা, জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ সভাপতি মিৰ্জা আৰিফ আলম, সম্পাদক মাধুৰ্যময়ী বৰা, সহায়ৰ সভাপতি ৰাজু মহন্তকে আদি কৰি ভালেসংখ্যক দল-সংগঠনৰ প্ৰতিনিধি আৰু জ্যেষ্ঠ নাগৰিক উপস্থিত থাকে।

# মাধৱপুৰ বৰডুমচা বজাৰ সমিতি গঠন

**ই-সংবাদ, মাৰ্ঘেৰিটা, ২২ জানুৱাৰীঃ** তিনিচুকীয়া জিলাৰ বৰডুমচাত মাধৱপুৰ বৰডুমচা বজাৰ সমিতি গঠন কৰা হয়। মঙলবাৰে পুৰণি পুখুৰী গাওঁ পঞ্চায়তৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা এখন ৰাজহুৱা সভাত সমিতিখন গঠন কৰা হয়। মাধৱপুৰ বৰডুমচাৰ নিবাসী প্ৰাক্তন অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক সুমন মৰাণে সভাপতিত্ব কৰা ৰাজহুৱা সভাত প্ৰায় দুই শতাধিক লোক উপস্থিত থাকে। উক্ত সভাত বিশিষ্ট সমাজ সেৱক মহেন্দ্ৰ নেওগ, ৰুদ্ৰ গগৈ, স্থানীয় চিকিৎক কৃষ্ণ উপাধ্যায়, স্থানীয় কেইবাটাও দল-সংগঠনৰ বিষয়ববীয়াৰ লগতে বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সভাত বহুকেইটা গুৰুত্বপূৰ্ণ বিষয়ক লৈ আলোচনা কৰা হয়। পুৰণি পুখুৰী গাওঁ পঞ্চায়তৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা ৰাজহুৱা সভাত সৰ্বসন্মতি ক্ৰমে মাধৱপুৰ বৰডুমচা বজাৰ সমিতিখনৰ সভাপতি হিচাপে বিকাশ দাহাল, সম্পাদক হিচাপে জয়ন্ত সোণোৱালক লৈ এখন বজাৰ সমিতি গঠন কৰা হয়।

# ২নং বানগুৰিত চতুৰ্থ বাৰ্ষিক অখণ্ড পালনাম মহোৎসৱ



**ই-সংবাদ, তামুলপুৰ, ২২ জানুৱাৰীঃ** তামুলপুৰৰ ২নং বানগুৰি (উলুবাৰী) শ্ৰীশ্ৰী শংকৰদেৱৰ শাখা সত্ৰত আজিৰে পৰা দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আৰম্ভ হয় চতুৰ্থ বাৰ্ষিক ১২ ঘণ্টীয়া অখণ্ড পালনাম মহোৎসৱ। আজি প্ৰথম দিনৰ প্ৰথম কাৰ্যসূচীত পুৱা জাগৰণ, ছয় বজাত পৰিৱেশ নিকাকৰণ, আইসকলৰ নাম প্ৰসংগ, বাপসকলৰ নিত্য প্ৰসংগ, ৮.৩০ বজাত পালনাম মহোৎসৱৰ মুখ্যদ্বাৰ মুকলি, ৯ বজাত ধৰ্মধ্বজা উত্তোলন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ধৰ্মধ্বজা উত্তোলন কৰে উদযাপন সমিতিৰ সভাপতি মাধৱ কলিতাই। পাছত স্মৃতি তৰ্পণ, গছপুলি ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। দিনৰ এঘাৰ বজাত ভাগৱত শোভাযাত্ৰাৰ শুভ উদ্বোধন কৰে পুৰি প্ৰকল্পৰ সভানেত্ৰী (গুৱাহাটী) কণিকা পাঠকে। স্থানীয় আই, বাপ-বান্ধৱ তথা ভক্তবৃন্দই ভাগৱত শোভাযাত্ৰাত অংশগ্ৰহণ কৰি হৰিনাম ধ্বনিৰে মুখৰিত কৰি তোলে সমগ্ৰ উলুবাৰী অঞ্চল। দুপৰীয়া দিহানাম প্ৰতিযোগিতা উদ্বোধন কৰে প্ৰাক্তন বিধায়ক ইমানুৱেল মছাহাৰীয়ে। আবেলি নাম প্ৰসংগ আৰু সন্ধিয়া অঞ্চলটোৰ কেবাগৰাকী বিশিষ্ট লোকে বন্তি প্ৰজলন কাৰ্যসূচী ৰূপায়ণ কৰে। সন্ধিয়া বীৰনাম সমাৰোহ সত্ৰীয়া সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰা হয়। নিশা ছোৱালীৰ নাগাৰা নাম পৰিৱেশ কৰা হ'ব। কাইলৈ দ্বিতীয় দিনা পুৱা নিয়মীয়া কাৰ্যসূচীৰ উপৰি ভকত বৈষ্ণৱৰ আদৰণি কাৰ্যসূচী। ৮.১৫ বজাত বাৰ ঘণ্টীয়া পালনামৰ মুখ্যদ্বাৰ মুকলি কৰিব বিধায়ক জলেন দৈমাৰীয়ে। পিছত বাৰ ঘণ্টীয়া পালনামৰ শুভাৰম্ভ কৰিব পালনামৰ মুখ্য পাঠক সৌৰাং বড়োৱে। ইয়াত অংশগ্ৰহণ কৰিব বৰপেটা সত্ৰৰ বুঢ়া সত্ৰাধিকাৰ ড০ বাবুল চন্দ্ৰ দাস, ডেকা সত্ৰীয়া গৌতম দাস, বৰংগাজুলিৰ সত্ৰৰ সত্ৰীয়া নিৰঞ্জন বড়োই। দিনৰ এক বজাত প্ৰসাদ বিতৰণ, দুই বজাত কীৰ্তন পাঠৰ পিছত আবেলি নাম-প্ৰসংগৰে পালনামৰ সফল সামৰণি পৰিব বুলি উদ্যোক্তাসকলে জনাইছে।

## নিয়ম উলংঘাৰে কৰ্মচাৰী বদলিৰ প্ৰতিবাদ, জনতাৰ দুৰ্ভোগ

# মাজুলী জিলা প্ৰশাসন কৰ্মচাৰীৰ সৰ্বাত্মক অসহযোগ কাৰ্যসূচী পালন

**ই-সংবাদ, মাজুলী, ২২ জানুৱাৰীঃ** ৰাজ্যৰ মুখ্য সচিব স্বাক্ষৰিত অফিচ মেম'ৰেণ্ডাম আৰু জিলা প্ৰশাসন সেৱা বিধি-১৯৬৭ উলংঘা কৰি ৰাজ্য চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগৰ আয়ুক্ত সচিবগৰাকীয়ে সদৌ অসম জিলা প্ৰশাসন কৰ্মচাৰী সন্থা, মাজুলী জিলা সমিতিৰ সভাপতি তথা মাজুলী জিলা প্ৰশাসনৰ জ্যেষ্ঠ সহায়ক গৌতম ভূঞাক আন্তঃজিলা বদলি কৰা কাৰ্য আৰু বঞ্চনাৰ প্ৰতিবাদত সদৌ অসম জিলা প্ৰশাসন কৰ্মচাৰী সন্থাৰ মাজুলী জিলা সমিতিয়ে সৰ্বাত্মক অসহযোগ কাৰ্যসূচী ৰূপায়ণ কৰে। আজি জিলা প্ৰশাসনৰ কৰ্মচাৰীসকল কাৰ্যালয়ত উপস্থিত হৈ জিলা আয়ুক্ত কাৰ্যালয়ৰ বাহিৰত সমবেত হৈ দাবী সম্বলিত বেনাৰ আঁৰি অৱস্থান কৰি সৰ্বাত্মক অসহযোগ কাৰ্যসূচী ৰূপায়ণ কৰে। অহা ২৪ জানুৱাৰীতো জিলা আয়ুক্ত কাৰ্যালয়ৰ কৰ্মচাৰীসকলে কৰ্মবিৰতি পালন কৰিব। উল্লেখ্য যে ১৯৭৯ চনৰ ২৪ মে'ত মুখ্য সচিব স্বাক্ষৰিত অফিচ মেম'ৰেণ্ডাম অনুসৰি চৰকাৰী স্বীকৃতিপ্ৰাপ্ত কৰ্মচাৰী সংগঠনৰ বিষয়ববীয়াক বদলি কৰাত কেতবোৰ বাধা-নিষেধ বলৱৎ হৈ আছে। আনহাতে, জিলা প্ৰশাসনীয় সেৱা বিধি মতে, ইখন জিলাৰ পৰা অন্য এখন জিলালৈ বদলি কৰিব নোৱাৰে। কিন্তু সেই বিধি-নিয়ম উলংঘা কৰি মাজুলী জিলা আয়ুক্ত কাৰ্যালয়ৰ জ্যেষ্ঠ সহায়ক গৌতম ভূঞাক যোৰহাট জিলা আয়ুক্ত কাৰ্যালয়লৈ বদলি কৰে। এনে নিয়ম উলংঘাৰে কৰ্মচাৰীগৰাকীক বদলি কৰাৰ প্ৰতিবাদত আজি কৰ্মচাৰীসকলে সৰ্বাত্মক অসহযোগ কাৰ্যসূচী ৰূপায়ণ কৰে।

# অকচেক ত্ৰিচঘৰীত বিজেপিৰ যোগদান সভা

**ই-সংবাদ, মোৰাঝাৰ, ২২ জানুৱাৰীঃ** বিন্নাকান্দি সমষ্টিত বিজেপিত যোগদানৰ জোৱাৰ উঠিছে। পঞ্চায়ত নিৰ্বাচন কাষ চপাৰ লগে লগে দলীয় নেতৃত্বক পঞ্চায়তে পঞ্চায়তে, ৱাৰ্ড ৱাৰ্ডে সভা পতা পৰিলক্ষিত হৈছে। সমষ্টিৰ অকচেক ত্ৰিচঘৰীত মণ্ডলবাৰে সন্ধিয়া বিজেপিৰ দেৱস্থান মণ্ডলৰ এখন সভা প্ৰৱণ দাসৰ সভাপতিত্বত অনুষ্ঠিত হৈ যায়। এই সভাত বিজেপি নেতা হবিব মোহাম্মদ চৌধুৰী উপস্থিত থাকি চৰকাৰী আঁচনিসমূহ সন্দৰ্ভত ভাষণ দাঙি ধৰাৰ লগতে বিকাশৰ স্বাৰ্থত সকলোকে বিজেপিত ভোট দি পঞ্চায়ত আৰু ২৬ৰ নিৰ্বাচনত জিকাই অনাৰ আহ্বান জনায়। স্থানীয় যুৱ নেতা কমৰুল ইছলাম, চিৰাজ উদ্দিন আৰু জাবিৰ উদ্দিনৰ নেতৃত্বতত হোৱা এই সভাত শতাধিক লোকে বিজেপিত যোগদান কৰে। সভাত বিজেপি নেতা পুতুল দাস, মেহমুব আহমেদ, কাৰ্দিক দাসকে ধৰি ভালেমান নেতা-কৰ্মী উপস্থিত থাকে।

# মোৰাঝাৰত গভাইত চোৰ আটক

**ই-সংবাদ, মোৰাঝাৰ, ২২ জানুৱাৰীঃ** হোজাইৰ মোৰাঝাৰ আৰক্ষী চোৰৰ বিৰুদ্ধে সৰৱ হোৱা দেখা গৈছে। এইবাৰ সুতাৰপুৰৰ আব্দুল মালিকৰ দোকানত চুৰিৰ অভিযোগত এটা চোৰক আটক কৰে মোৰাঝাৰ আৰক্ষীয়ে। চোৰটোৰ নাম ছাবিৰ আহমেদ। চাবিৰ সুতাৰপুৰৰ আব্দুল কালামৰ পুত্ৰ বুলি জানিব পৰা গৈছে। মোৰাঝাৰ আৰক্ষীয়ে নিশা অভিযান চলাই আটক কৰে চোৰটো। মোৰাঝাৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া পৰিদৰ্শক নিখিল চন্দ্ৰ ৰয়ৰ নেতৃত্বত আৰু আৰক্ষী বিষয়া আনন্দ দলেৰ সহযোগত চিচি টিভি ফুটেজত চোৰটোক চিনাক্ত কৰি আটক কৰা চোৰটোৰ বিৰুদ্ধে ৮/২৫ নম্বৰত গোচৰ ৰুজু কৰি আজি শংকৰদেৱ নগৰ আদালতত হাজিৰ কৰে। ইয়াৰ পিছত চোৰটোক অধিক তদন্তৰ বাবে আৰক্ষীয়ে এদিনৰ জিম্মালৈ আনি তদন্ত অব্যাহত ৰাখে। এই চুৰি কাণ্ডৰ মূল মাষ্টৰমাইণ্ড এতিয়াও পলাতক।

# সাহিত্য-সংস্কৃতি বিকাশ গোষ্ঠীৰ প্ৰতিষ্ঠা দিৱস

**ই-সংবাদ, মিৰ্জা, ২২ জানুৱাৰীঃ** দক্ষিণ কামৰূপৰ পলাশবাৰী সমষ্টিৰ মিৰ্জাত জন্ম হোৱা সাহিত্য-সংস্কৃতি বিকাশ গোষ্ঠী কামৰূপৰ প্ৰথম বৰ্ষপূৰ্তি উপলক্ষে অহা ২৮ জানুৱাৰীত ঝাৰোবাড়ী দুৰ্গাপূজা মণ্ডপস্থলীত দিনজোৰা কাৰ্যসূচীৰে প্ৰতিষ্ঠা দিৱস উদযাপনৰ প্ৰস্তুতি চলোৱা হৈছে। এই অনুষ্ঠানটিৰ সভাপতি ডাঃ শৰত চন্দ্ৰ ৰাভা, মুখ্য সম্পাদক প্ৰফুল্ল চন্দ্ৰ চৌধুৰী, কাৰ্যকৰী সভাপতি ৰণজিৎ চৌধুৰী, সম্পাদকদ্বয় পৱিত্ৰ কুমাৰ দাস আৰু দ্বিজেন তালুকদাৰ। উক্ত দিনৰ কাৰ্যসূচী হিচাপে থাকিব পুৱা ৯.৩০ বজাত পতাকা উত্তোলন, ১০ বজাত বন্তি প্ৰজ্বলন আৰু স্মৃতি তৰ্পণ, পুৱা ১১ বজাত সতীৰ্থ সন্মিলন, দুপৰীয়া ১ বজাত আহাৰ বিৰতি, দুপৰীয়া ২ বজাত আহাৰ গ্ৰহণ, মুকলি সভাৰ লগতে বিভিন্ন লেখক-লেখিকাৰ গ্ৰন্থ উন্মোচনী অনুষ্ঠান। আনহাতে, এই অনুষ্ঠানৰ লগত সংগতি ৰাখি সন্ধিয়া বিশেষ আকৰ্ষণ ৰূপে ফুলমণি দাসৰ পৰিচালনা তথা অভিনয়ৰে 'শুকুনিৰ প্ৰতিশোধ' নাট মঞ্চস্থ কৰা হ'ব। অনুষ্ঠানত ৰাইজৰ লগতে সাহিত্য-সংস্কৃতপ্ৰেমী প্ৰত্যেকজন ব্যক্তিকে উপস্থিত থাকি সকলো কাৰ্যসূচীত অংশগ্ৰহণ কৰি অনুষ্ঠানটো সাফল্যমণ্ডিত কৰিবলৈ আহ্বান জনাইছে উদ্যোক্তাসকলে।

# চেঙাৰ মাজৰচৰত আৰক্ষীৰ ড্ৰাগছ বিৰোধী অভিযান

**ই-সংবাদ, নগৰবেৰা, ২২ জানুৱাৰীঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ আলোপতিচৰ আৰক্ষী থানাৰ অন্তৰ্গত বিভিন্ন এলেকাত দীৰ্ঘদিনৰ পৰা একাংশই লোকে ড্ৰাগছ আৰু নিচাজাতীয় দ্ৰব্যৰ ৰমৰমীয়া বেহা চলাই থকাৰ সময়তে যোৱা নিশা আলোপতিচৰ আৰক্ষীয়ে ড্ৰাগছৰ বিৰুদ্ধে এক অভিযান চলাই তিনিজনকৈ কুখ্যাত ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰাৰ লগতে বৃহৎ পৰিমাণৰ নিষিদ্ধ ড্ৰাগছ জব্দ কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে, আলোপতিচৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দেৱাশিস কাশ্যপৰ নেতৃত্বত ইয়াৰ মাজৰচৰ গাঁৱৰ ৰেজাউল কৰিম তালুকদাৰ ওৰফে মোশ্বাৰফ হুছেইনৰ ঘৰত এক গোপন খবৰৰ ভিত্তিত অভিযান চলায়। আৰক্ষীয়ে এই অভিযানত মেহবুব আলম ভূঞা(২২), আনোৱাৰ হুছেইন(২২) আৰু ছমেদ আলী(৩৭) নামৰ তিনি সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে যদিও নিশাৰ আন্ধাৰৰ সুযোগ বুজি খিৰিকী ভাঙি মূল অভিযুক্ত তথা ঘৰৰ গৃহস্থ ৰেজাউল কৰিম তালুকদাৰ ওৰফে মোশ্বাৰফ হুছেইন(৩৫) পলাই যাবলৈ সক্ষম হয়। আৰক্ষীয়ে ড্ৰাগছ সৰবৰাহকাৰী তিনিজনৰ পৰা ৫ টাকৈ চাবোনৰ বাকচ ভৰ্তি ৫০.৭ গ্ৰাম ড্ৰাগছসহ কিছু নগদ ধন জব্দ কৰে। জব্দকৃত ড্ৰাগছখিনি ব্ৰাউন ছুগাৰ বুলি আৰক্ষীয়ে জানিবলৈ দিয়াৰ লগতে ইয়াৰ বজাৰ মূল্য কেইবা লক্ষাধিক টকা হ'ব। উল্লেখ্য যে মাজে সময়ে আৰক্ষীয়ে অভিযান চলাই ড্ৰাগছৰ এনে ব্যৱসায়ৰ লগত জড়িত দুই এজনক গ্ৰেপ্তাৰ কৰি আহিছে যদিও একাংশ সৰবৰাহকাৰীয়ে বৃহত্তৰ চৰাঞ্চলত ড্ৰাগছৰ চোৰাং বেহা অব্যাহত ৰাখিছে। শীঘ্ৰে বৃহত্তৰ চৰাঞ্চলত চলি থকা ড্ৰাগছৰ বেহা সম্পূৰ্ণৰূপে বন্ধ কৰিবলৈ আৰক্ষী প্ৰশাসনক স্থানীয় ৰাইজে দাবী জনাইছে।

# চামগুৰিত অবৈধ নাৰী দেহৰ ব্যৱসায় উৎখাত

**ই-সংবাদ, পুৰণিগুদাম, ২২ জানুৱাৰীঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত চামগুৰি তেল ডিপুৰ সমীপৰ এখন ধাবাৰ পৰা অসংযত অৱস্থাত তিনিগৰাকী যুৱতীসহ দুজন যুৱকক আৰক্ষীয়ে আজি আটক কৰিছে।জানিব পৰা মতে, ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিতে লাগি থকা এখন ধাবাত দীৰ্ঘদিন ধৰি নাৰীদেহৰ অবৈধ ব্যৱসায় চলি আছিল বুলি অভিযোগ উত্থাপন হৈ আছিল। চামগুৰি আৰক্ষী থানাৰ আৰক্ষীয়ে আজি এক গোপন খবৰৰ ভিত্তিত ধাবাখনত অভিযান চলোৱাত হাতে-লোটে তিনি গৰাকী কিশোৰীসহ দুজন যুৱকে অনৈতিক কাৰ্য চলাই থকা অৱস্থাত আটক কৰিবলৈ সক্ষম হয়। আটকাধীন যুৱক দুজন হৈছে ৰফিকুল ইছলাম আৰু মইনুল হুছেইন। উক্ত ধাবাখনত নাৰী দেহৰ অবৈধ ব্যৱসায় চলাই আহিছিল বুলি অভিযোগ উঠিছে।আৰক্ষীয়ে ধাবাখনত অভিযান চলোৱাৰ উমান পাই স্বত্বাধিকাৰীজন পলায়ন কৰে বুলি আৰক্ষী সূত্ৰত প্ৰকাশ। চামগুৰি আৰক্ষীয়ে যুৱক দুজনৰ সৈতে কিশোৰী তিনি গৰাকীক আটক কৰাৰ লগতে ধাবাখনৰ স্বত্বাধিকাৰীজনৰ পত্নীকো আটক কৰিছে বুলি জানিব পৰা গৈছে।

# ছিপাঝাৰত মহাপুৰুষীয়া বৈষ্ণৱ সমাজৰ বাৰ্ষিক অধিৱেশনৰ ব্যাপক প্ৰস্তুতি

**ই-সংবাদ, ছিপাঝাৰ, ২২ জানুৱাৰীঃ** মহাপুৰুষীয়া বৈষ্ণৱ সমাজ, দৰং জিলা সমিতিৰ ৪০৯ সংখ্যক বাৰ্ষিক অধিৱেশনখনি অহা ২৯, ৩০ আৰু ৩১ জানুৱাৰীত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে মহাপুৰুষীয়া বৈষ্ণৱ সমাজ হাজৰিকাপাৰা শাখাৰ উদ্যোগত আৰু বৃহত্তৰ হাজৰিকাপাৰাবাসীৰ সহযোগত স্থানীয় গান্ধী স্মৃতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰৰ বকুল মহন্ত ক্ষেত্ৰত অনুষ্ঠিত হ'ব। আদৰণি সমিতিৰ সভাপতি খগেন্দ্ৰ চহৰীয়া আৰু সম্পাদক কল্প কলিতাই সদৰি কৰা অনুসৰি, প্ৰথম দিনা পুৱা প্ৰভাত ফেৰীৰে কাৰ্যসূচীৰ শুভাৰম্ভণি হোৱাৰ পিছত ক্ৰমে সমূহীয়া চাফাই, গছপুলি ৰোপণ, ভঁৰাল ঘৰৰ দ্বাৰ উন্মোচন, আবেলি ৪ বজাত অস্থায়ী নামঘৰৰ দ্বাৰ উন্মোচন, বন্তি প্ৰজ্বলন আৰু ভাগৱত স্থাপন কৰাৰ পিছত সন্ধিয়া ৬ বজাত ভাগৱত পাঠ আৰু নিশা ৭ বজাত নাম প্ৰসংগ অনুষ্ঠিত হ'ব। দ্বিতীয় দিনা পুৱাৰ পৰা একাদিক্ৰমে পৰিৱেশ নিকাকৰণ, শৰাই নিবেদন, পদ প্ৰক্ষালন থলী উন্মোচন, তোৰণ উন্মোচন, বকুল মহন্ত ক্ষেত্ৰ উন্মোচন, ভাগৱত পাঠ, সমূহীয়া নাম প্ৰসংগ, যুৱ মঞ্চ আৰু আই মাতৃ সমিতিৰ বিষয়-বাছনি সভা অনুষ্ঠিত হ'ব। আনহাতে, অধিৱেশনত উমা চহৰীয়া বৈষ্ণৱ সোঁৱৰণী মঞ্চ উদ্বোধন, ১১ বজাত আই মাতৃৰ নাম পৰিৱেশন, ১ বজাত যুৱ মঞ্চ আৰু আই মাতৃসকলৰ মুকলি সভা অনুষ্ঠিত হ'ব। একেদৰে আবেলি প্ৰতিনিধি শিবিৰৰ দ্বাৰ উন্মোচন, সন্ধিয়া ৫ বজাত সাংস্কৃতিক সন্ধিয়া আৰু নিশা ৮ বজাত প্ৰতিনিধি সভা অনুষ্ঠিত হ'ব। অন্তিম দিনা পুৱা প্ৰাত প্ৰসংগ, পৰিৱেশ নিকাকৰণ, শৰাই নিবেদন আৰু ভাগৱত পাঠৰ পিছত ধৰ্মধ্বজা উত্তোলন কৰিব জিলা সমিতিৰ সভাপতি মনোৰাম চহৰীয়াই। ভাগৱত আৰু সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূগোল বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড০ ধ্ৰুৱজ্যোতি চহৰীয়াই। ইয়াৰ পিছত মহাপুৰুষীয়া বৈষ্ণৱ সমাজ দৰং জিলা সমিতিৰ সভাপতি মনোৰাম চহৰীয়াৰ সভাপতিত্বত অনুষ্ঠিত হ'ব এখনি মুকলি ধৰ্মালোচনা সভা। মহাপুৰুষীয়া বৈষ্ণৱ সমাজ, অসমৰ নাৰায়ণ শইকীয়া মহন্তই উদ্বোধন কৰিবলগীয়া সভাখনত স্মৃতিগ্ৰন্থ উন্মোচন কৰিব ছিপাঝাৰ বিধানসভা সমষ্টিৰ বিধায়ক ড০ পৰমানন্দ ৰাজবংশীয়ে। সভাখনত যুৱ বক্তা হিচাপে উপস্থিত থাকিব দৰং জিলা সমিতিৰ নিকুমণি কলিতা আৰু নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব বিশ্বনাথ চাৰিআলিৰ ৰণ্টু শইকীয়া। দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়া মুখ্য অতিথি হিচাপে উপস্থিত থাকিবলগীয়া সভাখনত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব ক্ৰমে যুৱ সাংবাদিক এঞ্জেলা চাংমাই, মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাস আৰু দৰং জিলাৰ অতিৰিক্ত উপায়ুক্ত অজিত কলিতা। সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব ক্ৰমে মহাপুৰুষীয়া বৈষ্ণৱ সমাজ, অসমৰ কণ্ঠিৰাম ডেকা মহন্ত আৰু অমূল্য ডেকা মহন্ত, মহাপুৰুষীয়া বৈষ্ণৱ সমাজৰ ৰাজ্যিক সভাপতি মহেন্দ্ৰ বৰা, মহাপুৰুষীয়া বৈষ্ণৱ সমাজৰ প্ৰাক্তন ৰাজ্যিক সম্পাদক নৰপতি ডেকা, মহাপুৰুষীয়া বৈষ্ণৱ সমাজৰ ৰাজ্যিক সম্পাদক ধনঞ্জয় চহৰীয়া, ওদালগুৰি জিলা সমিতিৰ সভাপতি আৰু সম্পাদক দ্বয় ক্ৰমে লংকেশ্বৰ চহৰীয়া আৰু বাবুল হাজৰিকা। সভাখনত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকিব কামৰূপ জিলা সমিতিৰ সভাপতি আৰু সম্পাদক দ্বয় ক্ৰমে ৰজনী কলিতা আৰু নৃপেন বৰুৱা, বিশিষ্ট ব্যৱসায়ী দ্বয় ক্ৰমে কল্প সিং বৰদলৈ আৰু জগদীশ কলিতা। সন্ধিয়া সাংস্কৃতিক কাৰ্যসূচীত অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী কৃষ্ণমণি নাথে গীত পৰিৱেশন কৰিব। উক্ত সংগীতানুষ্ঠান আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব প্ৰাক্তন ৰাজহ মন্ত্ৰী ড০ জয়নাথ শৰ্মাই। অধিৱেশনৰ তিনিও দিনৰ কাৰ্যসূচীত ৰাইজৰ উপস্থিতি আৰু সহায়-সহযোগিতা আন্তৰিকতাৰে কামনা কৰিছে প্ৰচাৰ উপ-সমিতিৰ সভাপতি শৈলেন ডেকা আৰু সম্পাদক মানসজ্যোতি বৰুৱাই।

# তিতাবৰৰ পৰা সন্ধানহীন কৰিমগঞ্জৰ যুৱক

**ই-সংবাদ, তিতাবৰ, ২২ জানুৱাৰীঃ** তিতাবৰ ৰজাবৰীত ঘৰ নিৰ্মাণৰ কামত নিয়োজিত কৰিমগঞ্জৰ বালিবন গাঁৱৰ ২৫ বছৰীয়া যুৱক কৰ্মস্থলীৰ পৰাই সন্ধানহীন হোৱাৰ এক খবৰে চাঞ্চল্য সৃষ্টি কৰিছে। ৰচিমউদ্দিন নামৰ যুৱকজন যোৱা ১৪ জানুৱাৰীৰ পৰা সন্ধানহীন হৈ আছে। সন্ধানহীন যুৱকজনক কাম কৰিবলৈ অনা ঠিকাদাৰ আব্দুল নূৰে এই সম্পৰ্কত বৰহোলা আৰক্ষীক এজেহাৰ দাখিল কৰিছে। কিন্তু আৰক্ষীয়ে যুৱকজনৰ কোনো সন্ধান উলিয়াব পৰা নাই। কি পৰিস্থিতিত যুৱকজন কৰ্মস্থলীৰ পৰা সন্ধানহীন হ'ল সেয়া পোহৰলৈ অহা নাই যদিও আৰক্ষীয়ে তদন্ত অব্যহত ৰাখিছে। প্ৰথম অৱস্থাত যুৱকজন ঘৰলৈ ঘূৰি যোৱাৰ সন্দেহ কৰা হৈছিল। কিন্তু কেইবাদিনো কৰিমগঞ্জৰ ঘৰত উপস্থিত নোহোৱাত ঠিকাদাৰ আৰু পৰিয়াল লোক উদ্বিগ্ন হৈ পৰিছে। সন্ধানহীন যুৱকজনৰ কোনো ব্যক্তিয়ে সন্ধান লাভ কৰিলে 9394176919 নম্বৰত যোগাযোগ কৰিবলৈ পৰিয়ালৰ লোকে আহ্বান জনাইছে।

# গণেশকুঁৱৰীৰ কেতেকী শাখা সাহিত্য সভাৰ নতুন সমিতি গঠন

**ই-সংবাদ, দুমুনিচকী, ২২ জানুৱাৰীঃ** দৰং জিলাৰ বাঁহগড়া গণেশ কুঁৱৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কালি অনুষ্ঠিত হয় এখনি সাধাৰণ সভা। শিক্ষক দয়াৰাম দাসৰ সঞ্চালনাত অনুষ্ঠিত সভাত অৱসৰপ্ৰাপ্ত শিক্ষক আকবৰ আলীক সভাপতি, শিক্ষক ৰহিমুদ্দিন আহমেদক উপ-সভাপতি, যুৱ সমাজকৰ্মী পদুম নাথক সম্পাদক, শিক্ষক মুন শইকীয়াক সহঃ সম্পাদক, নিজাম আহমেদক কোষাধ্যক্ষ, সঞ্জয় দাস, মদন বড়ো, আবুল আলম, গিৰিধৰ দাস, নবিজুল হক, বিজয় কুমাৰ দাস, বিনিতা দাস, সংগীতা দাস, ৰেহেনা বেগম আৰু নিলিমা বেগমক সদস্য-সদস্যা হিচাপে লৈ আগন্তুক ২০২৫-২৭ বৰ্ষৰ বাবে এখন পূৰ্ণাংগ কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হয়।

# দৰংগামেলাত হিন্দু জাগৰণ অসমৰ ধৰ্মীয় শোভাযাত্ৰা

**ই-সংবাদ, তামুলপুৰ, ২২ জানুৱাৰীঃ** তামুলপুৰ জিলাৰ দৰংগামেলাত আজি ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠাৰ প্ৰথম বৰ্ষপূৰ্তি উপলক্ষে উলিওৱা হয় এক বিশাল ধৰ্মীয় শোভাযাত্ৰা। হিন্দু জাগৰণ অসম, দৰঙা ব্লক সমিতিৰ উদ্যোগত আজি পুৱা ৯ বজাত সমগ্ৰ ভাৰত-ভূটান সীমান্তৱৰ্তীৰ তিনি সহস্ৰাধিক ধৰ্মপ্ৰাণ লোকে অংশগ্ৰহণ কৰা ধৰ্মীয় শোভাযাত্ৰাটো নন্দেশ্বৰ শিৱ মন্দিৰৰ পৰা আৰম্ভ কৰা হয়। সমদলকাৰীসকলে জয় শ্ৰীৰাম ধ্বনিৰে মুখৰিত কৰি তোলে এন কে দৰংগা আৰু দৰংগামেলাৰ আকাশ-বতাহ। বৰ্ণিল ধৰ্মীয় শোভাযাত্ৰাটোৰ সমদলকাৰীসকলে পাঁচ কিলমিটাৰৰো অধিক পথ পৰিভ্ৰমণ কৰি শশীপুৰ হৈ দৰংগামেলাস্থিত হনুমান মন্দিৰৰ চোতালত আহি ৰামভক্ত ধৰ্মপ্ৰাণ লোকসকলে বিভিন্ন ধৰ্মীয় শ্ল'গান দিয়াৰ লগতে হৰিনাম পৰিৱেশন কৰি এক উছৱমুখৰ পৰিৱেশৰ মাজত শোভাযাত্ৰাৰ সামৰণি মাৰে। ইপিনে, দুপৰীয়াৰ ভাগত হিন্দু জাগৰণ অসমৰ দৰংগামেলা সমিতিয়ে এক বাইক ৰেলীও উলিয়ায়। শোভাযাত্ৰা আৰু বাইক ৰেলীত হিন্দু জাগৰণ অসমৰ দৰংগা ব্লক সমিতিৰ সভাপতি গোপাল ঘিমিৰে, সম্পাদক নৱজিত কুমাৰ কলিতা, উপদেষ্টা সুৰেশ ৰয় আৰু প্ৰচেনজিৎ ৰয় সহিতে দৰংগামেলা বজাৰ সমিতি হনুমান মন্দিৰ পৰিচালনা সমিতিৰ সদস্যবৰ্গই সহায়-সহযোগ আগবঢ়ায়। আনহাতে, ৰামলালৰ প্ৰতিষ্ঠাৰ লগত সংগতি ৰাখি তামুলপুৰৰ কাউলীতো নাগ্ৰিজুলী মণ্ডল বিজেপিৰ উদ্যোগত ৫১ গচি বন্তি প্ৰজ্বলন কৰা হয়। মণ্ডলৰ সভাপতি শংকৰ দাস, জিলাৰ সম্পাদক ভজন দাস, টি চি এল চি চি ৰ অধ্যক্ষ ৰাম বস্তুলা, স্থানীয় ভিচিডিচিৰ অধ্যক্ষ দীপাংকৰ ভট্টাচাৰ্যসহ দলীয় কৰ্মীসকলে অংশগ্ৰহণ কৰে উক্ত বন্তি প্ৰজ্বলন কাৰ্যসূচীত। একেদৰে নাগ্ৰিজুলিৰ কুষ্টীজাৰতো আজি জিলা বিজেপিৰ কোষাধ্যক্ষ বিশ্বজিত বসাকৰ লগতে একাংশ দলীয় কৰ্মীয়ে অংশগ্ৰহণ কৰে বন্তি প্ৰজ্বলন কাৰ্যসূচীত।



কনইকে' গ্ৰুপৰ পৰিচালন কাৰ্যবাহী বিষয়া কাঝুও অ'ফুচিৰ সৈতে বিশেষ আলোচনাত অসমৰ মুখ্যমন্ত্ৰী

# জাগীৰোডৰ ঠাকুৰডোভাত সম্পন্ন হ'ল ২৬ যোৰকৈ বিবাহ

**ই-সংবাদ, জাগীৰোড, ২২ জানুৱাৰীঃ** আয়তীৰ উৰুলি আৰু বিয়া নামেৰে মুখৰিত হ'ল জাগীৰোডৰ ঠাকুৰডোভা। পুৰোহিতৰ মন্ত্ৰোচ্চাৰণেৰে ঠাকুৰডোভা হৰিমন্দিৰত সৃষ্টি হয় উখল-মাখল পৰিৱেশৰ। কোনোবাই আহিছে পিতৃ-মাতৃৰ বিয়া চাবলৈ, আন কোনোবাই চাবলৈ আহিছে ককা-আইতাৰ বিয়া। ঠাকুৰডোভা দেৱদামোদৰ দেৱ সংঘৰ উদ্যোগত বুধবাৰে আয়োজন কৰা হ'ল সমূহীয়া বিবাহৰ। একাংশ লোকে গন্ধৰ্ব বিবাহ কৰাই যুগ্মজীৱনৰ পাতনি মেলিছিল যদিও আৰ্থিক অনাটনৰ বাবে সম্পন্ন কৰিব পৰা নাছিল হৰগৌৰী বিবাহ। সেইসকল লোকক সহায় কৰাৰ মানসেৰে আয়োজন কৰে এই সমূহীয়া বিবাহৰ। এই সমূহীয়া বিবাহত অংশ লয় অঞ্চলটোৰ ২৬ যোৰকৈ দৰা কইনাই। সম্পূৰ্ণ বৈদিক ৰীতি-নীতি আৰু ধৰ্মীয় পৰম্পৰাৰে দৰা কইনাক মাহ-হালধীৰে নোৱাই-ধোৱাই সাজু কৰে পৰিয়ালবৰ্গই। তাৰ পিছতে অগ্নিক সাক্ষী কৰি ৰাজহুৱাকৈ বিবাহপাশত আবদ্ধ হয় ৩০ ৰ পৰা প্ৰায় ৭০ বছৰীয়া মুঠ ২৬ যোৰ দৰা কইনাই। লক্ষণীয় বিষয় যে, কেইবাগৰাকীও দৰা-কইনাৰ সন্তান আৰু নাতিনীয়েও উপভোগ কৰিলে পিতৃ-মাতৃ আৰু ককা-আইতাৰ বিবাহ। উক্ত বিবাহত অংশগ্ৰহণ কৰি দৰা-কইনাসকলে আনন্দিত হোৱা বুলি জানিবলৈ দিয়ে।

# বটদ্ৰৱা গ্ৰাম্য গৃহ পানী যোগান উপভোক্তা সমিতিলৈ জিলা শ্ৰেষ্ঠ সমিতিৰ বঁটা

**ই-সংবাদ, বেবেজীয়া, ২২ জানুৱাৰীঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ পবিত্ৰ জন্মভূমি বটদ্ৰৱাৰ দুয়োখন ঐতিহাসিক সত্ৰৰ প্ৰায় পাঁচশ ঘৰ উপভোক্তালৈ দৈনিক বিশুদ্ধ খোৱাপানী ধৰাত বিশেষ ভূমিকা গ্ৰহণ কৰা বটদ্ৰৱা গ্ৰাম্য গৃহ পানী যোগান আৰু অনাময় সমিতিলৈ এইবাৰ আগবঢ়োৱা হৈছে নগাঁও জিলাৰ শ্ৰেষ্ঠ উপভোক্তা সমিতি বঁটা। এই বঁটা আগবঢ়াইছে নগাঁও জিলা প্ৰশাসনে। আচলতে, নগাঁও জিলা আয়ুক্ত তথা ডি ডব্লিউ এছ এমৰ সভাপতি ড০ নৰেন্দ্ৰ কুমাৰ শ্বাহৰ সভাপতিত্বত গঠিত জিলা বাছনি সমিতিয়ে ইতিমধ্যে জিলাখনৰ বিভিন্ন ক্ষেত্ৰৰ জনসেৱাৰ বঁটাসমূহ ঘোষণা কৰে। সেই অনুসৰি, নগাঁও জনস্বাস্থ্য কাৰিকৰী বিভাগৰ সৌজন্যত অনুষ্ঠিত হোৱা জিলা জলসেৱা বঁটা প্ৰদান অনুষ্ঠানত বটদ্ৰৱা গ্ৰাম্য গৃহ পানী যোগান আৰু অনাময় সমিতিক শ্ৰেষ্ঠ উপভোক্তা সমিতি আৰু বাটমাৰী পানী যোগান আঁচনিৰ জলমিত্ৰক শ্ৰেষ্ঠ জলমিত্ৰ বঁটাকে ধৰি শ্ৰেষ্ঠ ঠিকাদাৰ, শ্ৰেষ্ঠ অংগনাবাড়ী কেন্দ্ৰ, শ্ৰেষ্ঠ জলদূত, শ্ৰেষ্ঠ জলগুৰু, শ্ৰেষ্ঠ আশাকৰ্মী, শ্ৰেষ্ঠ বিদ্যালয় আদিক বঁটাসমূহ আনুষ্ঠানিকভাৱে প্ৰদান কৰা হয়। নগাঁও জিলা প্ৰশাসন আৰু নগাঁও জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বহুকেইগৰাকী উচ্চপদস্থ বিষয়া উপস্থিতিত অনুষ্ঠিত হোৱা এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত অন্যান্য বঁটাপ্ৰাপকসকলৰ লগতে ২০২৪ বৰ্ষৰ শ্ৰেষ্ঠ উপভোক্তা সমিতিৰ বঁটা গ্ৰহণ কৰে বটদ্ৰৱা গ্ৰাম্য গৃহ পানী যোগান আৰু অনাময় সমিতিৰ সভাপতি সুৰুজ হাজৰিকা আৰু সাধাৰণ সম্পাদক গুণমণি কলিতাই। সমগ্ৰ নগাঁও জিলাৰ ভিতৰত বটদ্ৰৱা পানী যোগান আঁচনি খনে শ্ৰেষ্ঠতাৰ সন্মান লাভ কৰিবলৈ সক্ষম হোৱাত বটদ্ৰৱাবাসী ৰাইজ উৎফুল্লিত হৈ পৰিছে।

# মাজুলীৰ আউনীআটী উচ্চ মাধ্যমিক বিদ্যালয়ৰ ব্যতিক্ৰমী পদক্ষেপ

**ই-সংবাদ, মাজুলী, ২২ জানুৱাৰীঃ** মাজুলীৰ এখন বিদ্যালয়ত ইউনিফৰ্মৰ সাজত বিক্ৰেতাৰ ৰূপত দেখিবলৈ পোৱা গ'ল ছাত্ৰ-ছাত্ৰীক। ছাত্ৰ-ছাত্ৰীসকলে বজাৰলৈ উলিয়াই আনিলে নিজৰ নিজৰ বাৰীৰ জৈৱিকভাৱে উৎপাদন কৰা পাচলি। আজি পুৱা ৯.৩০ বজাৰ পৰা আউনীআটী উচ্চ মাধ্যমিক বিদ্যালয়ৰ চৌহদৰ বাহিৰত হোৱা বজাৰত ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন পাচলি বিক্ৰী কৰি স্বাৱলম্বীতাৰ নিদৰ্শন দাঙি ধৰে। বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক কমল দত্তৰ পৰিকল্পনাৰে আয়োজিত মেলাখনিৰ শুভ উদ্বোধন কৰে মাজুলীৰ এগৰাকী প্ৰগতিশীল কৃষক, বিশেষকৈ মিলেট কৃষিৰে মাজুলীলৈ সুনাম কঢ়িয়াই অনা নামনি মাজুলীৰ সুমন্ত বৰুৱাই। এই মেলাখনিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে স্বাৱলম্বী হোৱাৰ ক্ষেত্ৰত নিজকে ছাত্ৰ অৱস্থাৰ পৰাই প্ৰস্তুত কৰি তুলিব বুলি মতপোষণ কৰে। বিদ্যালয়ৰ ৯৫ শতাংশ ছাত্ৰ-ছাত্ৰীয়েই কৃষিজীৱী পৰিয়ালৰ, তেওঁলোক পঢ়া-শুনা উপৰি কৃষিৰ লগত জড়িত, এই বাণিজ্য মেলাৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলে কিছু গাণিতিক ধাৰণা লাভ কৰাৰ লগতে বিভিন্ন বস্তুৰ সঠিক জোখৰ ধাৰণা পোৱা আৰু এই কৃষিৰ ওপৰত নিৰ্ভৰ কৰিও যে ভৱিষ্যত জীৱনত স্বাৱলম্বী হ'ব পাৰে সেই বিষয়ে বুজিব পাৰে। এনেধৰণৰ প্ৰয়াস কৰি এই সিদ্ধান্ত গ্ৰহণ কৰি আজি এই বাণিজ্য মেলাৰ আয়োজন কৰা কৰা হৈছে বুলি বিদ্যালয় কৰ্তৃপক্ষই জানিবলৈ দিছে। মেলাত বোকোৱা আৰু ভকত চাপৰিৰ শাক-পাচলি, মাতিমাহ, মগুমাহৰ লগতে গুৰৰ প্ৰয়োভৰ ঘটে। যিহেতু বিদ্যালয়খনত সেই অঞ্চলৰ যথেষ্ট ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰে। মেলাত আউনীআটী সত্ৰ বৈষ্ণৱ ছাত্ৰসকলেও বিপণীত বহি বেপাৰ-বাণিজ্যৰ প্ৰেক্টিকেল জ্ঞান অৰ্জন কৰে। বিদ্যালয়ৰ নৱম শ্ৰেণীৰ কেইবাগৰাকী ছাত্ৰীয়ে থলীতে পিঠা, লাডু তৈয়াৰ কৰি ছাত্ৰ-ছাত্ৰীৰ মাজত গৃহকৰ্মৰ শিক্ষা প্ৰয়োজনীয়তা দাঙি ধৰে। এই মেলাত কোনো ধৰণৰ ৰাসায়নিক সাৰ প্ৰয়োগ নকৰাকৈ নিজৰ বাৰীতে উৎপাদন হোৱা, পচন সাৰ আৰু গোবৰ সাৰ প্ৰয়োগ কৰা বিভিন্ন শাক-পাচলিৰ লগতে ফলমূল, মগু মাহ, মাতিমাহ, গুৰ, চিৰা, বিভিন্ন ধৰণৰ ভজা, আৰৈ, চাউল, পিঠা পনাৰ পৰা সকলো বস্তুৰেই কম মূল্যত গ্ৰাহকে ক্ৰয় কৰাৰ সুবিধা লাভ কৰে।

# মাল্টি-মিডিয়া প্ৰেছ ক্লাব চাপৰৰ তৃতীয় প্ৰতিষ্ঠা দিৱস উদযাপন




**ই-সংবাদ, চাপৰ, ২২ জানুৱাৰীঃ** ধুবুৰী জিলাৰ মাল্টি-মিডিয়া প্ৰেছ ক্লাব চাপৰৰ আজি দিনজোৰা কাৰ্যসূচীৰে প্ৰতিষ্ঠা দিৱস উদযাপন কৰা হয়। উল্লেখ্য যে ২০২২ চনত চাপৰত প্ৰতিষ্ঠিত মাল্টি-মিডিয়া প্ৰেছ ক্লাবে আজি উলহ-মালহৰে তৃতীয় প্ৰতিষ্ঠা দিৱস উদযাপন কৰে। প্ৰতিষ্ঠা দিৱস উপলক্ষে মাল্টি-মিডিয়া প্ৰেছ ক্লাবৰ পতাকা উত্তোলন কৰে সভাপতি সহিদুল সৰকাৰে। বৃক্ষৰোপণ কৰে চাপৰ চিকিৎসালয়ৰ জ্যেষ্ঠ চিকিৎসক ডাঃ হুছেইন আলীয়ে। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি গণশিল্পী প্ৰয়াত ৰাজীৱ শদিয়া, চাপৰৰ প্ৰয়াত যুৱ সাংবাদিক ধীৰাজ দাস আৰু মিৰাজ ৰায়ৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ লগতে মৃত্যুবৰণ কৰা সকলো সাংবাদিকৰ আত্মাৰ শান্তিৰ উদ্দেশ্যে ঈশ্বৰৰ ওচৰত এক মিনিট সময় মৌন প্ৰাৰ্থনা জনোৱা হয়। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে মাল্টি-মিডিয়া প্ৰেছ ক্লাবৰ উপদেষ্টা আৰিফুল হুছেইন, প্ৰণয় দেৱ ৰায় আৰু আলী আকবৰে। প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে সমাজ সেৱক দিলীপ অধিকাৰী, ইন্দ্ৰজিৎ কলিতা আৰু ললিত কুমাৰ ৰায়ে। ইপিনে, প্ৰতিষ্ঠা দিৱস উপলক্ষে চাপৰ চিকিৎসালয়ত থকা ৰোগীসকলৰ মাজত ফলমূল বিতৰণ কৰে মাল্টি-মিডিয়া প্ৰেছ ক্লাবৰ উপ-সভাপতি সুৱত জামাল আৰু প্ৰাক্তন সভাপতি খনিন্দ্ৰ কলিতাই। আনপিনে, প্ৰতিষ্ঠা দিৱসৰ দিনা চাপৰৰ বয়জ্যেষ্ঠ ব্যক্তি, চিকিৎসক, সমাজ সেৱক, অভিনেতা, ব্যৱসায়ী, বনাঞ্চলিক বিষয়া, ৰাজহ চক্ৰ বিষয়া আৰু আৰক্ষী বিষয়াক সম্বৰ্ধনা জ্ঞাপন কৰে। চাপৰ ৰাজহ চক্ৰ বিষয়া শশী ভূষণ ৰাজকোঁৱৰ, ৰত্নপীঠ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ সেখ হেদায়তউল্লাহ, সমাজ সেৱক গংগাধৰ ৰায় আৰু প্ৰাক্তন আছু কৰ্মী আনোৱাৰ হুছেইনে ভাষণ প্ৰসংগত সাংবাদিকৰ দায়িত্ব আৰু কৰ্তব্যৰ বিষয়ে আলোকপাত কৰি মাল্টি-মিডিয়া প্ৰেছ ক্লাবৰ ভৱিষ্যত উন্নতি কামনা কৰে। ইপিনে, বসুন্ধৰা ৩.০ ৰ অধীনত মাল্টি-মিডিয়া ক্লাবৰ স্থায়ী কাৰ্যালয় নিৰ্মাণ কৰাৰ উদ্দেশ্যে এড়োখৰ ভূমি প্ৰদান কৰাৰ প্ৰতিশ্ৰুতি দিয়ে চাপৰ ৰাজহ চক্ৰ বিষয়া শশী ভূষণ ৰাজকোঁৱৰে।

# ৭ এপ্ৰিলত ৰাষ্ট্ৰীয় ৰামায়ণী সাহিত্যৰ আলোচনা-সত্ৰ আৰু বক্তৃতানুষ্ঠান

**ই-সংবাদ, পুৰণিগুদাম, ২২ জানুৱাৰীঃ** গুৱাহাটীৰ অন্যতম সাংস্কৃতিক-শৈক্ষিক ন্যাস প্ৰতিষ্ঠান লুইত-জিষ্ট কমিউনিকেচন এডুকেচনেল ট্ৰাষ্টৰ ব্যৱস্থাপনাত অহা ৬, ৭ আৰু ৮ এপ্ৰিলত তিনিদিনীয়া কাৰ্যসূচীৰে অযোধ্যা নন্দন জন্মোৎসৱ ২০২৫ ৰ আয়োজন কৰা হৈছে। অসমৰ সাংস্কৃতিক মানচিত্ৰত অপ্ৰমাদী কবি মাধৱ কন্দলিকৃত ধ্ৰুপদী অসমীয়া ভাষাৰ সপ্তকাণ্ড ৰামায়ণৰ আধাৰত ৭০০ বৰ্ষীয় উত্তৰ-পূৱ ভাৰতীয় 'ৰামভাৱনা' ৰাষ্ট্ৰীয় লোক-সংগীত, সাহিত্য মহোৎসৱ তথা ৰাষ্ট্ৰীয় আলোচনা সত্ৰৰ বৰ্ণাঢ্য কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। সেই উপলক্ষে গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰীমাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত ৭ এপ্ৰিলৰ পুৱা ১০ বজাত ৰাষ্ট্ৰীয় ৰামায়ণী সাহিত্যৰ আলোচনা-সত্ৰ আৰু বক্তৃতানুষ্ঠানৰ আয়োজন কৰিছে। "অসমৰ সাংস্কৃতিক মানচিত্ৰত ৭০০ বৰ্ষীয় জাতীয় কবি মাধৱ কন্দলিকৃত সপ্তকাণ্ড ৰামায়ণত কামৰূপীয় লোক-সমাজ জীৱনৰ আলোকপাত" শীৰ্ষক আলোচনা-সত্ৰত অংশগ্ৰহণ কৰিবলৈ গৱেষক, শিক্ষাৰ্থীসকলক আহ্বান জনাইছে। বাল্মীকি ৰামায়ণৰ অসমীয়া শ্লোকানুবাদক প্ৰয়াত কবি চন্দ্ৰ মহন্ত আৰু দেৱনাগৰী ভাষাত অসমীয়া ৰামায়ণক পৰিচয় কৰোঁতা প্ৰয়াত নবাৰুণ বাৰ্মা সোঁৱৰণী মঞ্চত বৈদিক আৰু প্ৰাচীন শাস্ত্ৰীয় গৱেষিকা, ৰামায়ণী গৱেষিকা, সাহিত্যিক, লেখিকা তথা ভাৰতীয় মহাকাব্য ৰামায়ণ আৰু মহাভাৰতৰ তথ্যানুসন্ধানী পণ্ডিত জুলা শৰ্মাৰ সঞ্চালনাত আলোচনা-সত্ৰখনি অনুষ্ঠিত হ'ব। অধ্যাপক ড০ ভৱৰঞ্জন শৰ্মাক মুখ্য উপদেষ্টা ৰূপে লৈ এখনি আলোচনা-সত্ৰ আৰু বক্তৃতানুষ্ঠান পৰিচালনা আহ্বায়ক সমিতি গঠন কৰা হৈছে। আলোচনা-সত্ৰত পাঠিত হ'বলগীয়া গৱেষক তথা শিক্ষাৰ্থীসকলৰ গৱেষণা পত্ৰসমূহৰ এটি সংকলনৰ স্মাৰক-গ্ৰন্থ "আমাৰ ৰামায়ণ" উন্মোচন কৰা হ'ব। অনুষ্ঠানতে অসমীয়া ৰামায়ণী সাহিত্যিক, গৱেষক, পণ্ডিত আৰু ৰামায়ণী চিত্ৰশিল্পীসকলক প্ৰয়াত কবি চন্দ্ৰ মহন্ত আৰু প্ৰয়াত নবাৰুণ বাৰ্মা স্মাৰক সন্মান প্ৰদান কৰিব। আমন্ত্ৰিত ৰামায়ণী পণ্ডিতসকলে মাধৱ কন্দলিকৃত সপ্তকাণ্ড ৰামায়ণৰ সন্দৰ্ভত বহুমূলীয়া বক্তৃতা প্ৰদান কৰিব। লুইত-জিষ্ট কমিউনিকেচন এডুকেচনেল ট্ৰাষ্টৰ পৰিচালন ন্যাসৰক্ষী তথা আলোচনা সত্ৰৰ মুখ্য আহ্বায়ক ৰাজীৱ হৰি কৌশিকে জনাইছে যে, আলোচনা সত্ৰত অংশগ্ৰহণ কৰিব বিচৰা ইচ্ছুক গৱেষক-গৱেষিকা, শিক্ষাৰ্থীয়ে আলোচনা-সত্ৰৰ সন্দৰ্ভত বিশদভাৱে জানিবলৈ আহ্বায়কমণ্ডলীৰ আহ্বায়কত্ৰয় ড০ মালবিকা ভট্টাচাৰ্য (৯৬৭৮২৯৪৩৮৭), ৰেৱত মহন্ত(৮৬৩৮৯৭৩৮৫২) আৰু জুৰি নাথ(৮৬৩৮৭২৫৩৯৩) ৰ লগত যোগাযোগ কৰিব পাৰিব। আলোচনা-সত্ৰখনি ৰাষ্ট্ৰীয় পৰ্যায়ত সমাদৃত হোৱাকৈ আয়োজক সমিতিয়ে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে বুলি প্ৰচাৰ সচিব কাকলি শেনচোৱাই এক প্ৰেছ বিজ্ঞপ্তিযোগে জানিবলৈ দিয়ে।

# ৰঙিয়াত ৭৬ সংখ্যক গণতন্ত্ৰ দিৱস উপলক্ষে প্ৰশাসনৰ উদ্যোগত আলোচনা চক্ৰ

**ই-সংবাদ, ৰঙিয়া, ২২ জানুৱাৰীঃ** ৰঙিয়াত ৭৬ সংখ্যক গণতন্ত্ৰ দিৱস উপলক্ষে সমজিলা প্ৰশাসনৰ উদ্যোগত আজি আলোচনা চক্ৰ অনুষ্ঠিত কৰা হয়। ৰঙিয়া হৰদত্ত বীৰদত্ত ভৱনত 'অসমৰ সৱলীকৰণঃ গণতন্ত্ৰ ৭৬ সংখ্যক বৰ্ষত ৰাজ্যখনৰ ভৱিষ্যত উত্তৰণৰ ৰূপৰেখা' শীৰ্ষক বিষয়ৰ আধাৰত অনুষ্ঠিত কৰা হয় আলোচনা চক্ৰ। আলোচনা চক্ৰত মুখ্য অতিথিৰূপে স্থানীয় বিধায়ক ভৱেশ কলিতা উপস্থিত থাকি যুৱ প্ৰজন্মৰ দায়িত্ব তথা কৰণীয় সন্দৰ্ভত বক্তব্য প্ৰদান কৰে। পুঠিমাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ নিত্যানন্দ কলিতাৰ সঞ্চালনাত অনুষ্ঠিত আলোচনা চক্ৰত ৰঙিয়া সমজিলা আয়ুক্ত দেৱাশীষ গোস্বামী, নলবাৰী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ড০ দিনমণি ভাগৱতীৰ লগতে কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিভাগৰ সহকাৰী অধ্যাপিকা ড০ নন্দিতা খাখলাৰী আৰু অধ্যাপক হীৰকজিৎ ৰয়ে আলোচক ৰূপে অংশগ্ৰহণ কৰে। কাৰ্যসূচীত বিভিন্ন বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী তথা সমাজ সচেতন লোক উপস্থিত থাকে।

# নগৰবেৰাৰ পলাহৰটাৰী, যোগীপাৰাত বন সুৰক্ষা বাহিনীৰ অভিযান

**ই-সংবাদ, নগৰবেৰা, ২১ জানুৱাৰীঃ** পশ্চিম কামৰূপ বন সংমণ্ডলৰ অধীনস্থ নগৰবেৰা নদী সংৰক্ষিত বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত পলাহৰটাৰী আৰু যোগীপাৰাত পৃথকে পৃথকে আজি বন বিভাগৰ এটা দলে অভিযান চলাই অবৈধভাৱে কটিওৱা বালি ভৰ্তি এছ-২৫ এফ চি-৫১৩১ নম্বৰৰ এখন ডাম্পাৰ জব্দ কৰাৰ লগতে এখন অবৈধভাৱে মাটি কটা জেচিপি এম এল-১৩ ২৪৯৮ আৰু নম্বৰবিহীন ট্ৰেক্টৰ জব্দ এখন কৰে। জানিব পৰা মতে, পশ্চিম কামৰূপ বন সংমণ্ডলৰ বন সুৰক্ষা বাহিনীৰ ছবিন চন্দ্ৰ দাসৰ নেতৃত্বত চলোৱা এক অভিযানত যোগীপাৰাৰ পৰা এখন অবৈধ বালি ভৰ্তি ডাম্পাৰ জব্দ কৰে। তদুপৰি বন সুৰক্ষা বাহিনীয়ে অভিযান কালত পলাহৰটাৰীৰ গুলিৰভিটাৰ পৰা অবৈধভাৱে মাটি কটা এখন জেছিবি আৰু এখন ট্ৰেক্টৰ জব্দ কৰে। ইতিমধ্যে জব্দকৃত বাহনসমূহ নগৰবেৰাৰ বন বিভাগৰ কাৰ্যালয়লৈ নিয়া বুলি জানিব পৰা গৈছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# অষ্ট্ৰেলিয়ান অ'পেনৰ ছেমিত য়ানিক, ইগা

**মেলবৰ্ণ, ২২ জানুৱাৰীঃ** দুৰন্ত প্ৰদৰ্শনেৰে অষ্ট্ৰেলিয়ান অ'পেনৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে য়ানিক চেনাৰে। ইটালীৰ তাৰকাগৰাকীয়ে ঘৰুৱা তাৰকা এলেক্স ডি মিনাউৰক ৬-৩, ৬-২, ৬-১ ছেটত পৰাস্ত কৰি প্ৰৱেশ কৰে ছেমিফাইনেলত। এইবাৰ তেওঁৰ মুখামুখি হ'ব আমেৰিকান বেন শ্বেলটনৰ সৈতে। আনহাতে, মহিলা শাখাত ইগা শ্বিয়নটেকে সহজেই ৬-১, ৬-২ ছেটত জয়লাভ কৰি ছেমিফাইনেলত প্ৰৱেশ কৰে। এইবাৰ তেওঁৰ প্ৰতিদ্বন্দ্বী হৈছে মেডিচন কিছ। উল্লেখ্য যে, এতিয়ালৈকে এটাও ছেটত পৰাস্ত হোৱা নোহোৱা শ্বিয়নটেক ছেফিফাইনেলত অধিক আগ্ৰাসীভাৱে পদক লাভৰ বাবে যুঁজ দিব বুলি আশা কৰা হৈছে। ইফালে, ছেমি ফাইনেলত ন'ভাক জ'কভিচ আৰু আলেকজেণ্ডাৰ ঝভেৰেভৰ মাজতো এক ৰোমাঞ্চকৰ যুঁজ দেখা যাব। ইগা শ্বিয়নটেকেৰ উৎকৃষ্ট ফৰ্মক লৈ উৎসাহিত হৈ পৰিছে অনুৰাগীসকল। পাঁচখন মেচত মাত্ৰ ১৪টা গেমত পৰাস্ত হৈছে এই খেলুৱৈগৰাকী। আনহাতে, মেডিচন কিছে ১০খন মেচৰ অপৰাজিত থাকি যুঁজখনত প্ৰৱেশ কৰিছে।

# খো খো খেলুৱৈ ৰূপা দাসক সম্বৰ্ধনা অনুপমা অঞ্জলিৰ

**ই-সংবাদ, মিৰ্জা, ২২ জানুৱাৰীঃ** আজি দক্ষিণ কামৰূপৰ পলাশবাৰী সমষ্টিৰ কোকঝাৰৰ গাওঁৰ নিবাসী আন্তঃৰাষ্ট্ৰীয় খো খো খেলৰ উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথম মহিলা আন্তঃৰাষ্ট্ৰীয় ৰেফাৰী হিচাপে প্ৰতিনিধিত্ব কৰা ৰূপা দাস ঠাকুৰীয়াক তেওঁক মিৰ্জাস্থিত বাসগৃহত সম্বৰ্ধনা জনায় অনুপমা অঞ্জলি মাহেকীয়া আলোচনীয়ে। আলোচনীখনৰ মুখ্য সম্পাদক ড° শেৱালি দাস কলিতা, সহঃ সম্পাদক কাঞ্চন সাউদ বৰা আৰু নিতুমনি ৰাভাই সম্বৰ্ধনা জনায় ৰূপা দাস ঠাকুৰীয়াক। নিতুমনি ৰাভাই ৰাভা সমাজৰ জাতীয় স্বভিমান ৰাভা পাজাৰেৰে মাহেকীয়া আলোচনী অনুপমা অঞ্জলিৰ মুখ্য সম্পাদককো সম্বৰ্ধনা জনায়। উল্লেখযোগ্য এবেলি অনুষ্ঠিত হৈ যোৱা আন্তঃৰাষ্ট্ৰীয় খো খো বিশ্বকাপ প্ৰতিযোগিতাত ৰূপা দাস ঠাকুৰীয়াই উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমগৰাকী মহিলা আন্তঃৰাষ্ট্ৰীয় ৰেফাৰী হিচাপে প্ৰতিনিধিত্ব কৰি সমগ্ৰ দক্ষিণ কামৰূপক গৌৰৱান্বিত কৰে। ভাৰতত হৈ যোৱা বিশ্বকাপ খো খো প্ৰতিযোগিতাত ভাৰতীয় দলে বিজয় সাব্যস্ত কৰে।



ইডেন গাৰ্ডেনত অনুষ্ঠিত হৈ থকা ইংলেণ্ডৰ বিৰুদ্ধে প্ৰথম টি-২০ত ক্ৰিজত অভিষেক শৰ্মা আৰু সঞ্জু ছেমছনৰ যুটি

## নিজৰ জাৰ্চিত পাকিস্তানৰ নাম লিখিবলৈ অস্বীকাৰ ভাৰতৰ

# চেম্পিয়নছ ট্ৰফীৰ আয়োজন কৰি আকৌ বিমোৰত পাকিস্তান

**নতুন দিল্লী, ২২ জানুৱাৰীঃ** চেম্পিয়নছ ট্ৰফীক লৈ সূত্ৰপাত ঘটিছে এক নতুন বিতৰ্কৰ। চেম্পিয়নছ ট্ৰফিৰ আয়োজক পাকিস্তানৰ নাম নিজৰ জাৰ্চিত লিখিবলৈ অস্বীকাৰ কৰিছে ভাৰতে। আইচিচিৰ নিয়ম অনুসৰি প্ৰতিটো দলৰ জাৰ্চিত প্ৰতিযোগিতাখনৰ ল'গ' আৰু আয়োজক দেশৰ নাম থকাটো বাধ্যতামূলক। কিন্তু ভাৰতে জাৰ্চিত পাকিস্তানৰ নাম লিখিবলৈ স্পষ্টভাৱে অস্বীকাৰ কৰিছে। বিচিচিআইৰ দাবী যে পাকিস্তান আয়োজক হ'লেও ভাৰতৰ মেচসমূহ ডুবাইত অনুষ্ঠিত হ'ব। গতিকে জাৰ্চিত পাকিস্তানৰ নাম লিখাৰ প্ৰয়োজন নাই। এই যুক্তিয়ে ইতিমধ্যে ক্ৰিকেট জগতত নতুন বিতৰ্কৰ সৃষ্টি কৰিছে। পাকিস্তানেও আই চি চিত আনুষ্ঠানিক অভিযোগ দাখিল কৰি ভাৰতে নিয়ম উলংঘা কৰাৰ অভিযোগ উত্থাপন কৰিছে। আইচিচিৰ সূত্ৰ অনুসৰি প্ৰতিযোগিতাৰ নিয়ম উলংঘা কৰা যিকোনো দলে শাস্তিৰ সন্মুখীন হ'ব পাৰে। সংস্থাটোৰ এজন বিষয়াই স্পষ্ট কৰি দিয়ে যে প্ৰতিটো দলে নিয়ম মানি চলিব লাগিব, আৰু যদি নহয় তেন্তে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। ইয়াৰ ফলত ভাৰতৰ এই সিদ্ধান্তক লৈ বিতৰ্ক আৰু অধিক তীব্ৰতৰ হৈ পৰিছে। উল্লেখ্য যে, ইয়াৰ পূৰ্বে ২০২৩ চনৰ এছিয়া কাপতো সংঘটিত হৈছিল একেধৰণৰ ঘটনা। পাকিস্তান আয়োজক ৰাষ্ট্ৰ আছিল যদিও ভাৰতৰ মেচ শ্ৰীলংকাত হোৱাৰ বাবে ভাৰতে তেওঁলোকৰ জাৰ্চিত পাকিস্তানৰ নাম লিখিবলৈ অস্বীকাৰ কৰিছিল। এইবাৰ চেম্পিয়নছ ট্ৰফীতো একেই পৰিস্থিতিৰ সৃষ্টি হৈছে। এই পৰিস্থিতিয়ে ক্ৰিকেট জগতত নতুন উত্তেজনাৰ সৃষ্টি কৰিছে। যদিহে আইচিচিয়ে ভাৰতৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰে তেন্তে চেম্পিয়নছ ট্ৰফী আৰু ভৱিষ্যতৰ আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাত ইয়াৰ গভীৰ প্ৰভাৱ পৰিব পাৰে বুলি আশংকা কৰা হৈছে। একে সময়তে আইচিচিৰ হেঁচাৰ বাবে ভাৰতে নিজৰ সিদ্ধান্ত সলনি কৰাৰ চিন্তা চৰ্চা কৰিব নেকি তাক লৈও প্ৰশ্নৰ উত্থাপন হৈছে।

# পিতৃক ছুপাৰবাইক উপহাৰ ৰিংকু সিঙৰ

**নতুন দিল্লী, ২২ জানুৱাৰীঃ** চিনেমাৰ কাহিনীতকৈ যেন কোনো গুনেই কম নহয় ৰিংকু সিঙৰ জীৱন। আই পি এলৰ পৰা জাতীয় দলত নিজৰ স্থান নিগাজি কৰাৰলৈকে দৰিদ্ৰ পৰিয়ালৰ পৰা উঠি বিশ্বৰ বাবে আদৰ্শ হৈ ৰিংকুৱে ধাৰাবাহিকভাৱে প্ৰমাণ কৰি আহিছে যে সফলতা সংগ্ৰামৰে আন এক নাম। এইবাৰ পিতৃ খানচান্দ সিঙক পাঁচ লাখ টকীয়া এখন ছুপাৰবাইক উপহাৰ দি ক্ৰিকেটাগৰাকীয়ে পুনৰ এবাৰ জয় কৰিছে লাখ লাখ অনুৰাগীৰ হৃদয়। উল্লেখ্য যে, ৰিংকুৰ পিতৃয়ে চিলিণ্ডাৰ ডেলিভাৰীৰ কাম কৰিছিল, মাতৃ আছিল এগৰাকী চাফাই কৰ্মী। সেই সীমিত উপাৰ্জনৰ মাজতো ৰিংকুৰ পিতৃ-মাতৃয়ে তেওঁক ক্ৰিকেটাৰ কৰাৰ সপোন দেখিছিল। জাতীয় দলত সুযোগ পোৱাৰ পিছতো পিতৃ খানচান্দ সিঙে অস্বীকাৰ কৰিছিল তেওঁৰ পুৰণি পেছা এৰিবলৈ। অৱশ্যে এইবাৰ পুত্ৰ ৰিংকুৰ সফলতাই তেওঁক নতুন পথত আগুৱাই লৈ গৈছে। ভাইৰেল হোৱা এটা ভিডিঅ'ত দেখা গৈছে যে ৰিংকুৰ পিতৃয়ে স্প'ৰ্টছ বাইকত উঠি গেছ এজেন্সীলৈ গৈ আছে। এই ভিডিঅ'ৰ পিছতে ৰিংকুক প্ৰশংসাৰে উপচাই পেলাইছে নেটিজেনে। পৰিয়ালৰ অংশীদাৰ হিচাপে পিতৃ-মাতৃৰ সপোন পূৰণ কৰাৰ বাবে সকলোৱে তেওঁক প্ৰশংসা কৰিছে। ৰিংকুৰ এই পদক্ষেপৰ কাহিনীয়ে পুনৰবাৰ সন্মুখলৈ আনিছে তেওঁৰ সংগ্ৰামৰ ইতিহাস। উল্লেখ্য যে, ৰিংকু সিঙৰ ক্ৰিকেট মঞ্চলৈ উত্থান ঘটিছিল কলকাতা নাইট ৰাইডাৰ্ছৰ হাতত। যোৱা মেগা নিলামত কেকেআৰে তেওঁক ১৩ কোটি টকাত ক্ৰয় কৰে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি